# তৃতীয় অধ্যায়
# ৩.০০ স্নেহ দেৱীৰ গল্পত লোকসাংস্কৃতিক উপাদান

অসমৰ লোক সমাজখনক কেন্দ্ৰ কৰিয়েই অসমৰ লোক সংস্কৃতিয়ে গঢ় লৈ উঠিছে। বাৰেবৰণীয়া সংস্কৃতিৰ সমাহাৰেই হ'ল অসমীয়া লোক সংস্কৃতি। কাৰণ অসমখন বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থল। অসমত বিভিন্ন মানৱ প্ৰজাতিৰ উপাদান লক্ষ্য কৰিব পাৰি। যেনে—

নেগ্ৰিটো, প্ৰট অষ্ট্ৰলয়ড, মংগোলয়ড, মেডিটেৰিনীয়ান, ওৱেষ্টাৰ্ণ, ব্ৰেকীচেফাল আৰু নাৰ্দিছ প্ৰজাতি।[১]

আৰ্যসকলৰ পূৰ্বতে অহা দ্ৰাবিড়সকলৰ ভালেখিনি সাংস্কৃতিক অৱদান অসমৰ লোক সংস্কৃতিৰ মাজত দেখা যায়। তাৰ পাছতেই অসমলৈ অহা অষ্ট্ৰিক গোষ্ঠীৰ দুটা ঠালৰ ভিতৰত অষ্ট্ৰো এচিয়াটিক গোষ্ঠীৰ দুটা ভাগ হ'ল মনখেমেৰ আৰু কোলমুণ্ডা। এই দুটা প্ৰজাতিৰ অৱদানো অসমীয়া লোক সংস্কৃতিত লক্ষ্য কৰিব পৰা যায়। তামোল-পাণৰ ব্যৱহাৰ, কৰম পূজা, ঝুমুৰ নৃত্য এই জনগোষ্ঠীৰ অৱদান।

অসমৰ বৃহৎ জনগোষ্ঠীৰ ঠালটো হ'ল মংগোলীয় জনগোষ্ঠী। এই মংগোলীয়সকলৰ চীন তিব্বতী ডালটো প্ৰথমে অসমলৈ আহিছিল। এওঁলোক প্ৰাচীন কালত কিৰাত, কছাৰী নামেৰে জনা গৈছিল। চীন তিব্বতীৰ বিভিন্ন ভাগৰ পৰা বড়ো, গাৰো, লালুং তিৱা, ৰাভা, কোচ, মেচ, চুতীয়া, দেউৰী, ডিমাচা, মিৰি, মিকিৰ, আঙ্গামী চেংমা, কুকি আদি জনজাতীয় জনগোষ্ঠী অসমত পোৱা যায়। কেচাইখাইতি গোসানীৰ পূজা, সিজু গছৰ ব্যৱহাৰ, দেওধনী নৃত্য, পুৰি খোৱা প্ৰথা, গাধন লোৱা, জোৰণ দিয়া, বিভিন্ন নৃত্য, বাদ্য আদি এই চীন তিব্বতধৰ্মী জনগোষ্ঠীৰ অৱদানেই অসমীয়া লোক সংস্কৃতিক চহকী কৰিছে।

মংগোলীয় মানৱ গোষ্ঠীৰ আন এটা ঠাল হৈছে টাইচীন বা চীনশ্যামী। আহোমসকল এই জনগোষ্ঠীৰ অন্তৰ্গত। সুদীৰ্ঘ ছশ বছৰ কাল ৰাজত্ব কৰা এই আহোমসকলে অসমীয়া লোক সংস্কৃতি গঠনত যথেষ্ট অৰিহণা যোগাইছে। অসমৰ মানুহসকলৰ বিভিন্ন উপাধি আহোমসকলৰ বিভিন্ন পদবীৰ পৰা আহিছে।

ৰাজ্য শাসনৰ বাবে সৃষ্টি কৰা পদবী যেনে— বৰবৰুৱা, বৰফুকন, বৰুৱা, বৰা, হাজৰিকা, শইকীয়া, চমুৱা, বৰগোহাঁই, দেউৰী আদি এওঁলোকৰে সৃষ্টি। বৰ্তমানেও এই পদবীৰ দ্বাৰা সৃষ্টি কৰা উপাধিৰ লোক অসমত বিৰাজমান।[২]

অসমীয়া সংস্কৃতিলৈ সৰ্ববৃহৎ অৰদান আহোমসকলেই আগবঢ়াইছে। ছশ বছৰীয়া ৰাজত্ব কালত বিভিন্ন স্থানত বিভিন্ন নিৰ্মাণ কাৰ্য্যৰ দ্বাৰা তেওঁলোকৰ ৰাজত্ব কালৰ চিন থৈ গৈছে।

"আহোমৰ স্থাপত্য বিদ্যাই আজিও অসমৰ মানুহক তেওঁলোকৰ ৰাজত্বৰ কথা সোঁৱৰাই দিয়ে। তেওঁলোকৰ দিনত নিৰ্মাণ কৰা দৌল-দেৱালয়, গড়, ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, শিলৰ সাঁকো, পুখুৰী, আদি আজিও জিলিকি আছে।[৩]

তদুপৰি আহোমসকলৰ বুৰঞ্জী লিখা প্ৰথা, তিৰোতাৰ অধিকাৰ, মৈদাম প্ৰথা, মেল প্ৰথা, খেল প্ৰথা আদি অসমীয়া সংস্কৃতিলৈ অতুলনীয় দান।

সৰ্ববৃহৎ তিব্বত গোষ্ঠীৰ পৰাই অসমৰ ভালেমান ঠাইৰ নাম, নদীৰ নাম আদিৰ উৎপত্তি হৈছে। যেনে— দিহিং, দিচাং, দিখৌ, ডিব্ৰু, ডিক্ৰুং আদি। 'লাওতি' শব্দৰ পৰাই 'লুইত' আৰু বুল্লম বুথুৰ' শব্দৰ পৰা 'ব্ৰহ্মপুত্ৰ' হৈছে। বাঁহৰ দ্বাৰা নিৰ্মিত বিভিন্ন সঁজুলি, দল বান্ধি মাছ মৰা, মাংস পুৰি খোৱা, ফটিকা বা লাওপানী খোৱা, শিৱপূজা আদি তিব্বতবৰ্মীসকলৰেই দান।

বখতিয়াৰ খিলিজিৰ আক্ৰমণৰ দিনৰে পৰা সোতৰ বাৰ অসম আক্ৰমণ কৰোঁতে বহুতো মুছলমান লোক অসমত ৰৈ গৈছিল। সেইবাবে বহুতো আৰবী, পাৰ্চী, শব্দ অসমীয়া ভাষাত সোমাই পৰিছে। যেনে— হাকিম, উকীল, মুন্সিফ, হৰতাল, ফুলদানি দৰদ ইত্যাদি। তদুপৰি জিকিৰ, জাৰী, ঈদ, মহৰম আদি অসমৰ লোক সংস্কৃতিৰ আপুৰুগীয়া সম্পদ। অসমীয়া খাদ্য তালিকাৰ কোৰ্মা, পোলাও, চেৱাই আদি মুছলমানসকলৰেই অৰদান।

পঞ্চদশ শতিকাত অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ দ্বাৰা বৃহৎ সংস্কৃতিৰ ভেটি গঢ়ি থৈ গ'ল। সত্ৰ, নামঘৰ, কীৰ্তনঘৰ আদি শংকৰী সংস্কৃতিৰ আধাৰস্বৰূপ। গায়ন, বায়ন, ভাওনা, খোল, মৃদংগ, তাল, সত্ৰীয়া নৃত্য, বৰগীত আদি মহাপুৰুষজনাৰেই অৰদান।

"হেঙুল, হাইতাল লগোৱা ফুলচতি, লাইখুঁটা, পালিখুঁটা, মুখা, চিত্ৰ, ভাস্কৰ্য আদি অৰদানবোৰ অসমীয়া লোক সংস্কৃতিৰ আপুৰুগীয়া সম্পদ।"[৪]

এইদৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ বৃহৎ অৰদানেৰে অসমীয়া লোক সংস্কৃতি গঢ় লৈ উঠিছে। বাৰেবৰণীয়া সংস্কৃতিৰ সমাহাৰত গঢ় লোৱা বাবে অসমীয়া লোক সংস্কৃতি পৃথিৱীৰ ভিতৰতে এক অনন্য সংস্কৃতিৰূপে গঢ় ল'ব পাৰিছে। বিভিন্ন পণ্ডিতে লোক সংস্কৃতিৰ বৈচিত্ৰ্য; ব্যাপকতা গভীৰতা আৰু বৈশিষ্ট্যলৈ লক্ষ্য কৰি লোক সংস্কৃতিক মুঠ চাৰি ভাগত ভাগ কৰিছে।

সেইকেইটা হ'ল—

১) মৌখিক সাহিত্য বা মৌখিক লোকবিদ্যা (Oral literature)

২) ভৌতিক সংস্কৃতি (Meterial culture)

৩) সামাজিক লোকাচাৰ বা লোক ৰীতি-নীতি (Social folk custom)

৪) লোক পৰিৱেশ্য কলা (Folk performing art form)

**৩.০১ স্নেহ দেৱীৰ গল্পত মৌখিক সাহিত্য**

পৰম্পৰাগতভাবে লোক সমাজৰ মুখে মুখে প্ৰচলিত হৈ থকা সাহিত্যই মৌখিক সাহিত্য। এইবোৰ ৰচক কোন তাক ঠাৱৰ কৰা টান। মৌখিক সাহিত্যবোৰত জনসাধাৰণৰ আশা-আকাংক্ষা, সুখ-দুখ, হাঁহি-কান্দোন, হৰ্ষ-বিষাদ, চিন্তা-ভাৱনা, আদিৰ প্ৰকাশ ঘটিছে। অসম প্ৰকৃতিৰ বিচিত্ৰ লীলাভূমি। নৈ, জান, জুৰি, পাহাৰ, পৰ্বত, অৰণ্য আদিৰে এক মনোমোহা পৰিৱেশ। এনে সুন্দৰ পৰিবেশত অসমীয়া জনসমাজৰ লোকৰ মাজত বিভিন্ন ভাব-অনুভূতিৰ উদ্ৰেক ঘটে। সেয়ে অসমীয়া সংস্কৃতিৰ ভঁৰাল মৌখিক সাহিত্যৰে ভৰি আছে। 'ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে তেখেতৰ *'অসমীয়া ভাষা আৰু সংস্কৃতি'* ৰ এঠাইত লিখিছে—

> "প্ৰকৃতিৰ লগত আত্মীয়তাৰ সংস্পৰ্শত অহাত যুগে যুগে অসমীয়া মানুহৰ মনত বিচিত্ৰ ভাব অনুভূতিৰ জন্ম হৈছে। সেই বাংময় প্ৰকাশৰ ফলত অসমীয়া ভাষাত অলেখ অলিখিত লোকগীত, বিহুগীতৰ জন্ম।"[৫]

প্ৰকৃতি মানুহৰ অনাবিল সম্পৰ্কই মৌখিক সাহিত্য সৃষ্টিত অৰিহণা যোগাইছে—

> "লিখিত সাহিত্য সৃষ্টিৰ আগতেই মৌখিক সাহিত্যৰ সৃষ্টি হৈছে। পৃথিৱীৰ প্ৰত্যেক ভাষাতেই মানুহে নিজৰ জ্ঞান, অভিজ্ঞতা, কল্পনা আৰু অনুভূতি প্ৰকাশ কৰিবৰ বাবে ব্যৱহাৰ কৰা ধ্বনি আৰু শব্দই মৌখিক কলাৰ মৰ্য্যদা লাভ কৰি আহিছে। এই কথা মন কৰিবলগীয়া যে এতিয়াও যিবোৰ ভাষাত লিখিত সাহিত্য সৃষ্টি হোৱা নাই তেনে ভাষাতো মৌখিক কলা সৃষ্টি হৈ আহিছে। এনে মৌখিক কলাসমূহৰ লগত সামাজিক অনুষ্ঠানৰো সম্পৰ্ক অবিচ্ছেদ্য।"[৬]

বিৰিঞ্চি কুমাৰ বৰুৱাই আকৌ কৈছে—

> "জাতিৰ লোক সংস্কৃতিৰ স্বৰূপ লোক সাহিত্যত আৰু লোক বিশ্বাসসমূহত প্ৰকাশ পায়। অসমীয়া লোক সংস্কৃতিৰ বিষয়ে চৰ্চা কৰিবলৈ সেইকাৰণে প্ৰথমে অসমৰ এই অলিখিত অমূল্য সাহিত্যৰাজিৰ সংগ্ৰহ আৰু বিশ্লেষণ প্ৰয়োজন। জাতিৰ আদিম অৱস্থাৰ পৰা সভ্য স্তৰলৈকে আঁত নিছিগাকৈ চলি অহা জনশ্ৰুতিয়েই হ'ল লোক সাহিত্য। ই গদ্য আৰু গীত দুয়ো ৰূপতেই যুগ যুগ ধৰি সমাজৰ মুখে মুখে সৃষ্ট আৰু সংৰক্ষিত।"[৭]

মৌখিক সাহিত্যবোৰ আদিম মানৱৰ চিৰন্তন সহজ অনুভূতিৰ অভিব্যক্তি। মুখ বাগৰি বাগৰি যুগ-যুগান্তৰ অতিক্ৰম কৰি মুখে মুখে চলি অহা কাৰণে ইয়াক মৌখিক সাহিত্য বোলা হয়। ইয়াৰ দ্বাৰা একোটা জাতিৰ চিন্তাধাৰা আৰু প্ৰাণৰ আকুতিৰ উমান পোৱা যায়। এনে সাহিত্যত ৰাজনৈতিক, আৰ্থিক, ধৰ্মীয় আদি দিশৰ উপৰিও বিভিন্ন বিশ্বাস, অন্ধবিশ্বাস আদিৰো স্থান পোৱা দেখা যায়। মৌখিক সাহিত্যৰো বিভিন্ন ভাগ পোৱা যায়।

> সত্যেন্দ্ৰনাথ শৰ্মাই মৌখিক সাহিত্যক তিনি শ্ৰেণীত ভাগ কৰিছে।[৮]

যেনে—

১। লোকগীত,

২। ফকৰা যোজনা আৰু প্ৰবচন,

৩। সাধুকথা।

> নবীন চন্দ্ৰ শৰ্মাই 'অসমীয়া লোক সংস্কৃতিৰ আভাস' "শীৰ্ষক গ্ৰন্থত মৌখিক সাহিত্যক পাঁচটা শ্ৰেণীত বিভাজন কৰিছে তেওঁৰ শ্ৰেণী বিভাজনবোৰ হ'ল" [৯]

১। মৌখিক লোকবিদ্যা

ক) লোক কাহিনী

খ) বৰ্ণনাত্মক লোক কবিতা

গ) লোক মহাকাব্য

ঘ) লোকোক্তি

ঙ) লোক ভাষা।

পশ্চিমীয়া সাহিত্যটো লোক সংস্কৃতিৰ মৌখিক সাহিত্যক বিভিন্ন ভাগত ভাগ কৰা দেখা যায়।

> "পশ্চিমৰ সমালোচক ৱিলিয়াম বেচকমে লোক সাহিত্যক "বৰ্ণনাত্মক কাহিনী, লোকগীত আৰু লোককথা আদি ভাগত ভাগ কৰি দেখুৱাইছে।"[১০]

মুঠতে অসমৰ সংস্কৃতিত বিভিন্ন শ্ৰেণীৰ লোক সাহিত্যৰে ভৰপূৰ। মৌখিক সাহিত্যৰ ক্ষেত্ৰত অসমৰ লোক সংস্কৃতি চহকী। বিহুগীত, হুঁচৰি, বিয়ানাম, ভাৱাইয়া, চটকা, মাউত গীত, স্তুতিবিষয়ক গীত, দেহ বিচাৰৰ গীত, জিকিৰ আৰু জাৰী, বাৰমাহী গীত, নিচুকণি গীত, আইনাম, ধাইনাম, গৰখীয়া গীত, নাঙেলী গীত, আদিৰ লগতে মালিতাসমূহ যেনে— বদন বৰফুকনৰ গীত, জয়মতীৰ গীত, মণিকোঁৱৰৰ গীত, ফুলকোঁৱৰৰ গীত, কমলা কুঁৱৰীৰ গীত, চিকণ সৰিয়হৰ গীত, মলুৱাৰ গীত, ৰাধিকা শান্তিৰ গীত, জনা গাভৰুৰ গীত আদি লোক কবিতা বা কাব্যৰ ভিতৰত পৰে।

জনজাতিসকলৰ ভিতৰত মিচিংসকলৰ অইনিতম, কবান, দিয়ং, নিতম, ডিমাচাৰ প্ৰাৰ্থনা, বিসুগীত, সোণোৱালসকলৰ হাইদাং গীত আদি উল্লেখযোগ্য। লোককাহিনী সমূহো অসমীয়া মৌখিক সাহিত্যৰ এক অন্যতম উপাদান।

লোককাহিনী যেনে—

"সাধুকথা, যোজনা, পটন্তৰ, সাঁথৰ, দিস্তান ফকৰা আদি অসমীয়া লোক সংস্কৃতিৰ উল্লেখযোগ্য সমল।"[১১]

এনে লোক সাহিত্যৰ প্ৰভাৱ বিভিন্নজন সাহিত্যিকৰ ৰচনাৰ মাজত আৱদ্ধ হোৱা দেখা যায়। এনে লোক সাহিত্য বা মৌখিক সাহিত্যৰ প্ৰভাৱতেই কিছুমান মনোৰম সাহিত্যৰ সৃষ্টি কৰিছে। ৰামধেনুৰ গল্পকাৰ স্নেহ দেৱীৰ গল্পতো এনে সাহিত্যৰ প্ৰভাৱ মন কৰিবলগীয়া।

অসমীয়া চুটিগল্পৰ জনক বেজবৰুৱাৰ চুটিগল্পত লোকসাংস্কৃতিক উপাদান যথেষ্ট আছিল। বসন্ত কুমাৰ ভট্টাচাৰ্য্যই তেখেতৰ *'অসমীয়া চুটি গল্পৰ লোক সাংস্কৃতিক উপাদান'*নামৰ প্ৰবন্ধটোত উল্লেখ কৰিছে যে —

"বেজবৰুৱা আছিল অসমীয়া বাচিক কলাৰ অন্তৰ্ভুক্ত সাধুকথা আৰু লোক কথাৰ সংগ্ৰাহক আৰু পূৰ্ণকথক।"[১২]

বেজবৰুৱাই সাধাৰণতে অসমীয়া সমাজখনক কেন্দ্ৰ কৰিয়েই গল্পসমূহ ৰচনা কৰিছিল। সেয়ে অসমীয়া সমাজৰ প্ৰাত্যাহিক জীৱন ধাৰা গল্পবোৰত প্ৰতিফলিত হৈছে। বেজবৰুৱাই গল্পৰ পটভূমি ৰচনা কৰিছে সাধুকথাৰ সহায়ত। তেওঁৰ সাধুকথাৰে পূৰ্ণ বাবে পুথিবিলাকৰ নামো তেনেকৈ ৰাখিছে। যেনে— *'সাধুকথাৰ কুঁকি, বুঢ়ীআইৰ সাধু'*ইত্যাদি। তেওঁ ৰচিত *'মুলাখোৱা বুঢ়া, যেনে কুকুৰ তেনে টাঙোন'* আদি গল্প সাধুকথাৰ দৰে। বেজবৰুৱাই চুটিগল্প আৰু সাধুকথাৰ মাজত বিশেষ কোনো পাৰ্থক্য ৰখা নাছিল।

স্নেহ দেৱীয়েও কেইটামান গল্প সাধুকথাৰ আকাৰত লিখিছে। হয়তো অকণি চৰাৰ বাবে তেখেতে এই সাধুকথা শ্ৰেণীৰ গল্পবোৰ লিখিছিল।

৪।২।১৯৫৪ চনত *'নতুন অসমীয়া'*ৰ *'অকণিৰ চৰা'*ত প্ৰকাশিত গল্পটো হ'ল *'মৌগুটি, মৌগুটি'*। গল্পটোৰ আৰম্ভণি এনে ধৰণৰ—

"এটা ধুনীয়া ঘৰৰ আগত এখন ডাঙৰ ফুলনি। আবেলি সময়ত ঘৰটোৰ পৰা দুটা ল'ৰা-ছোৱালী ওলাই আহি ফুলনিৰ মাজত পাৰি থোৱা বেঞ্চত বহিলহি। সিহঁত ঠিক তোমালোকৰ নিচিনাই মৌগুটি। এনেতে গুণ্ গুণ্ কৰি গান গাই কেইটামান মৌমাখি ফুলনিত সোমালহি।"[১৩]

চুটিগল্পৰ দৰে আৰম্ভণি হ'লেও এইটো সাধুকথাহে। কাৰণ ইয়াত ফুলেও কথা পাতিছে, মৌমাখিয়েও কথা পাতিছে। গল্পটোত মৌমাখিবোৰ অপৰাজিতা, শেৱালি, খৰিকাজাই, হাচনাহানা, জিকাৰফুল আদিৰ লগত খা-খবৰ সুধি হাঁহি-ধেমালিৰে ফুলৰ মৌ সংগ্ৰহ কৰিছে। ফুলবোৰে হাঁহিমুখে সিহঁতক মৌ দিছে কোনো আপত্তি কৰা নাই। সাধুটোত মৌমাখি আৰু ফুলৰ মাজত থকা আত্মীয়তাৰ কথা কোৱা হৈছে। ফুলৰ মৌ ল'লেও যে ফুলৰ কোনো হানি নহয় সেই কথা প্ৰকাশ কৰা হৈছে আৰু মনৰ মিলেই যে প্ৰকৃত মিল সেই কথাও সাধুটোৰ জৰিয়তে বুজোৱা হৈছে।

২২।৪।১৯৫৪ত *'নতুন অসমীয়া'*ৰ *'অকণিৰ চৰা'*ত প্ৰকাশিত আন এটা আৰবী সাধুৰ আলমত লিখা সাধুকথা হ'ল *'মায়াবী ঘোঁৰা'* সাধুটো পাৰস্য দেশৰ এজন ৰজা, যুৱৰাজ আৰু ঘোঁৰা বেপাৰীৰ কাহিনী বৰ্ণিত হৈছে। বেপাৰী এটাই কাঠৰ এটা আচৰিত ঘোঁৰা বিক্ৰী কৰিবলৈ আনিছিল। ঘোঁৰাটোত উঠি কাণত এটা পেচ দিলেই ওপৰলৈ উৰি যায়। ৰজাই উঠি ভালেই পালে। কিন্তু যুৱৰাজে জোৰকৈ নিজে উঠি ওপৰলৈ গ'ল যদিও নমাৰ কিটিপটো নাপাই বহুদিন অনাই-বনাই এজনী ৰাজকুমাৰীৰ ঘৰৰ চালত পৰিল, পিছত সেই কুঁৱৰীক বিয়া কৰাই ঘৰলৈ ঘূৰি আহিল। ইফালে বেপাৰীজনক ৰজাই বন্দী কৰি থ'লে। যুৱৰাজ ঘূৰি অহাৰ পিছতহে তেওঁক এৰি দিলে যদিও বেপাৰীয়ে ৰজাৰ জীয়েকক লৈ পলায়ন কৰিলে। শেষত যুৱৰাজে কুঁৱৰীক উদ্ধাৰ কৰি কাঠৰ ঘোঁৰাটোৰে নিজ ৰাজ্যলৈ ওভতাই আনিলে। পূৰ্ণজ্ঞানৰ অভাৱৰ পৰিণতি আৰু দৈৱ বলত প্ৰাপ্ত লাভ আৰু জীৱনৰ সংঘাতময় পৰিস্থিতিৰ সন্মুখীন হোৱাৰ সাহস সাধুটোৰ উপজীব্য বিষয়।

৯।৯।১৯৫৪ চনত *'নতুন অসমীয়া'*ৰ *'অকণিৰ চৰা'*ত প্ৰকাশিত *'টিপুৰ প্ৰাৰ্থনা'* সাধুকথা শ্ৰেণীৰ নহয় যদিও উপদেশমূলক কাহিনী। চুটিগল্পৰ দৰে ৰচনা কৰা এই গল্পটোত টিপু নামৰ এজন সৰু ল'ৰাই ককায়েকৰ পইচা মনে মনে লৈ পিছত অনুতপ্ত হৈছে আৰু পৰীক্ষাত ফেইল কৰাৰ ভয়ত ককায়েকৰ জেপত পইচাকেইটা আকৌ সুমুৱাই থৈহে শান্তি লাভ কৰিছে। দোষ কৰিলে যে এক অজান ভয়ে মানুহক আতংকিত কৰি ৰাখে আৰু মানুহ মানসিকভাবে অসুস্থ হৈ পৰে সেই কথাই গল্পটোত কোৱা হৈছে।

২৩।১২।১৯৫৪ত *'নতুন অসমীয়া'*ৰ *'অকণিৰ চৰা'*ত প্ৰকাশিত গল্প হ'ল— *'কথকীৰ বিলৈ'*। গল্পটোত ফুল ককাইদেউ নামৰ কথাৰ ছলাহী মৰা এজন ব্যক্তিৰ কথা কোৱা হৈছে। তপন আৰু কেইটামান সৰু ল'ৰা-ছোৱালীয়ে ফুল ককাইদেউৰ পৰা সাধুকথা শুনিবলৈ বিচৰাত নিজে যে এডাল প্ৰকাণ্ড ফেঁটীসাপক কেনেকৈ চেণ্ডেল এপাতেৰে মাৰিছিল সেই গল্প কৈ পিছত বাঘৰ গল্প বা তেওঁৰ বাঘৰ লগত হোৱা যুদ্ধৰ কাহিনী ক'বলৈ যাওতেই তপনহঁতৰ মেকুৰীজনীৰ নেজডালক দেখিয়েই

ভয়তে ফুল ককাইদেউৰ প্ৰাণবায়ু উৰি যোৱা দেখি তেওঁৰ প্ৰকৃত সাহসী ৰূপটোৰ কথা তপনহঁতে গম পাইছিল। এইটো সাধুকথাৰ দৰে হাস্য ৰসাত্মক গল্প।

১৮।৮।১৯৫৫ চনত *'নতুন অসমীয়া'*ত প্ৰকাশিত আন এটি সাধু হ'ল *'মোৰ কথা শুনা'*। সাধুটোত এখন এটকীয়া নোটে এজন ল'ৰাক নিজৰ কথা কৈছে। টকা-পইচাবোৰৰ নিজৰ দুৰাৱস্থাৰ কথা বৰ্ণনা কৰিছে এইদৰে—

> "শুনা— পৰহি ৰাতিপুৱা মই মোৰ নিচিনা কেইবাটাও লগৰীয়াৰ লগত দোকান এখনৰ বাকচ এটাত মনে মনে শুই আছিলো। বেছ উম লাগিছিল। এনেতে দোকানৰ মালিকে বাকচটো খুলি দিলে, আমি সাৰ পাই গ'লো। বাহিৰৰ বতাহ আহি আমাৰ গাত লাগি কঁপাই পেলালে। তেওঁ মোক আৰু মোৰ লগৰীয়াকেইটিমানক উলিয়াই আনিলে; সিহঁতক কি কৰিলে ক'ব নোৱাৰো। মোক হ'লে আনি এটা ল'ৰাৰ হাতত দিলে। ল'ৰাটোৱে মুঠি মাৰি মোক জেপত ভৰাই লৈ আহিল। মই বৰ বেয়া পাইছিলো। মোৰ গোটেই গাটো শেঁট-মোট হৈ দেখিবলৈ বৰ বেয়া হৈ পৰিলো— তাৰ উপৰি ল'ৰাটোৰ জেপত থকা মাৰ্বল গুটি, ভগা পেন্সিল, গজাল, শিলগুটি আদি বস্তুবোৰ লাগি মোৰ গাৰ কেবাঠাইতো ঘা লাগিল, কি কৰিম আৰু?"[১৪]

টকাই এইদৰে নিজৰ দুৰাৱস্থাৰ কথা কৈছিল কিন্তু তেওঁক এই ল'ৰাটোৱে খুব যত্নকৈ ধুনীয়া বেগৰ ভিতৰত সুমুৱাই যত্ন কৰি ৰখা বাবে খুব ভাল পাইছে আৰু কৈছে এনে ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ মংগল হয়। সাধুটো উপদেশমূলক। পৰিপাটি জীৱনেই মানুহৰ উন্নয়নৰ মূল বুলি সাধুটোত কোৱা হৈছে।

*'নতুন অসমীয়া'*ৰ *'অকণিৰ চৰা'*ত প্ৰকাশিত আন এটি সাধু হ'ল *'বীৰৰ আদৰ্শ'*। সাধুটো ৰামায়ণৰ অন্তৰ্গত। কাহিনীটোত বিভীষণৰ পুত্ৰ তৰণী সেনৰ বীৰত্বৰ কাহিনী বৰ্ণিত হৈছে। বিভীষণে ৰামৰ পক্ষ ল'লে যদিও তেওঁৰ কিশোৰ পুত্ৰ তৰণী সেনে নিজৰ আদৰ্শ বিসৰ্জন নিদিলে। ৰাৱণৰ পক্ষতে থাকি অতি বীৰত্বৰে ৰামৰ স'তে যুদ্ধ কৰি মৃত্যুবৰণ কৰি নিজৰ নাম ইতিহাসত জিলিকাই ৰাখিলে। ৰামায়ণৰ এই সাধুটোৰ দ্বাৰা জানিব পাৰি যে সংকট কালতো মানুহে নিজৰ আদৰ্শ কেতিয়াও বিসৰ্জন দিব নালাগে। বিভীষণে শ্ৰীৰাম ভগৱানৰ পক্ষ ল'লেও তেওঁ ঘৰশত্ৰু হিচাপেই ইতিহাসত আখ্যা পালে।

*'নতুন অসমীয়া'*ত প্ৰকাশিত *'অতি লোভ'* এটা আৰবীয় সাধুৰ আলমত ৰচনা কৰা হৈছে। কাহিনীটোত আৰব দেশৰ আব্দুল্লা নামৰ এজন অতি লোভী মানুহে যে লোভৰ বাবেই শেষত চকু দুটা হেৰুৱাবলগীয়া হ'ল সেই কথা সাধুটোত বৰ্ণিত হৈছে। এজন ফকীৰৰ কথামতে সকলো ধন-

সম্পত্তি নিজৰ ইচ্ছামতে লৈয়ো আব্দুল্লা সন্তুষ্ট হোৱা নাই। বৰং চুক্তিমতে ফকীৰক দিয়া আধাভাগখিনিও নিজৰ কৰি লৈ শেষত ফকীৰৰ এটা সৰু টেমাৰো লোভ সামৰিব নোৱাৰিলে। টেমাটোৰ মলম বাঁও চকুত লগালে মাটিৰ তলৰ ধন-সোণ দেখা পাব বুলি জানি আৰু ফকিৰে কোৱামতে সোঁ চকুত লগালে কণা হ'ব বুলি জানিও অতি লোভৰ ফলত বেছিকৈ পোৱাৰ আশাত সোঁ চকুত মলম ঘঁহি শেষত দৃষ্টিশক্তি হেৰুৱাৰ ফলত ফকীৰেই সকলোখিনি সম্পত্তি লৈ যাবলগীয়া হয়। আৰু কণা আব্দুল্লাই অনুতাপ কৰি থাকিবলগীয়া হয়। সাধুটোত লোভেই পাপ, পাপেই মৃত্যু দেখুওৱা হৈছে।

*'নতুন অসমীয়া'* ত প্ৰকাশ পোৱা স্নেহ দেৱীৰ আন এটা সাধু হ'ল *'বন্ধু'*। সাধুটোত সৰু ল'ৰা-ছোৱালীকেইটাই দদাইদেউক বৰকৈ সাধু ক'বলৈ জোৰ কৰাত তেওঁ নিজৰ জীৱনৰ সঁচা ঘটনাৰে এটা সাধু ক'লে। সাধুটোত নিজৰেই বাল্যবন্ধু এজনে কেনেকৈ পইচা চোৰ কৰা বুলি অপযশ দিলে আৰু সেই অপযশে কেনেকৈ মনত আঘাত কৰিলে, ভুল বুজা বুজিৰে দোষাৰোপ কৰি শেষত দুয়োজনেই গোটেই জীৱন অনুতপ্ত হ'বলগীয়া হৈছিল সেই কাহিনীৰ বৰ্ণনা কৰিছে। সৰ্ব শেষত বহুদিনৰ মূৰত দুয়োজনে ভাগ্যচক্ৰত লগালগি হৈহে দুয়োজনৰ ভুল ভাঙিল। সাধুটোৰ পৰা এয়েই বুজোৱা হৈছে যে, ভালকৈ নুবুজাকৈ কাকো দোষাৰোপ কৰিব নালাগে।

*'নতুন অসমীয়া'*ৰ *'অকণিৰ চৰা'*ত প্ৰকাশিত তেওঁৰ আন এটা সাধু হ'ল *'ম'ৰা চৰাইৰ কাহিনী'*। সাধুটো ৰামায়ণৰ পৰা লোৱা। কাহিনীটোত ইন্দ্ৰৰ বৰত ম'ৰা চৰায়ে কেনেকৈ ধুনীয়া ৰূপ পালে তাৰেই বৰ্ণনা কৰা হৈছে। লংকাৰ ৰাৱণে দিগ্‌বিজয় কৰি ফুৰোতে পৰাক্ৰমী ৰজা মৰুত্তৰ ৰাজ্যত প্ৰৱেশ কৰাত ৰজাই দেৱতাসকলৰ স'তে যজ্ঞ কৰি আছিল। ৰাৱণক দেখি মৰুত্তই যুদ্ধ কৰিলে যদিও দেৱতাসকলে ৰাৱণৰ ভয়তে বিভিন্ন চৰাই, হাঁহ, ম'ৰা চৰাই আদিৰ ৰূপ লৈ আত্মৰক্ষা কৰিলে। যুদ্ধত মৰুত্ত পৰাস্ত হ'ল। ইন্দ্ৰই ম'ৰা চৰাইৰ ৰূপ লৈ আছিল বাবে মৰা চৰাইক বৰ দিলে এইদৰে—

> "তুমি সকলো চৰাইতকৈ দেখিবলৈ ধুনীয়া হ'বা; আৰু তোমাৰ লেজত অসংখ্য তৰাৰ নিচিনা ফুল হওক। তুমি যেতিয়া চালি ধৰি নাচিবা তেতিয়া সকলোৰে তোমাক দেখি মুগ্ধ হ'ব।"[১৫]

স্নেহ দেৱীৰ এনেবোৰ গল্প সাধুকথা শ্ৰেণীৰ। এই সাধুবোৰত মৌখিক সাহিত্যৰ স্পষ্ট নিদৰ্শন পোৱা যায়। সাধুৰ মাজেৰে ব্যৱহাৰিক জীৱন আৰু সংস্কাৰবোধ স্নেহদেৱীৰ সাধুবোৰৰ অন্যতম বৈশিষ্ট।

স্নেহ দেৱীৰ গল্পত ফকৰা যোজনা, পটন্তৰ, নীতিবাক্য আদিৰ ব্যৱহাৰ হোৱা দেখা যায়। তাৰ কিছু আভাস দিবলৈ যত্ন কৰা হ'ল। যেনে—

*'ফুলীবাই'* গল্পত পৰোপকাৰী ফুলীবাইক যেতিয়া কিছুমান তিৰোতাই দোষাৰোপ কৰিছে তেতিয়া শইকীয়ানীয়ে ভাবিছে —

"ৰাজহাঁহে হেনো পানীৰ পৰা গাখীৰকণ বেলেগ কৰি খাব পাৰে, মানুহেনো মানুহৰ দোষৰ পৰা গুণকণ বাছি লৈ আদৰ কৰিব নোৱাৰিবনে চেষ্টা কৰিলে।"[১৬]

ফুলিবাই গল্পত হাজৰিকানীয়ে বৰানীক নিজৰ বাৰীত শাক দুডালমান ধোৱাত লোকৰ চকু পৰা সম্পৰ্কে কৈছে-

"বান্ধকানি কিৰ্পিনৰ ঘৰে।"[১৭]

গল্পটোত আকৌ গিৰীয়েকে ফুলীক নিজৰ কৰ্মহীনতাৰ বাবে কৈছে —

"এৰা নোহোৱা হ'লে মোৰ হাড়ত বন গজিলহেঁতেন।"[১৮]

*'লক্ষ্যভ্ৰষ্ট'* গল্পত মালতীয়ে খুৰীয়েকক খঙতে কৈছিল —

"এৰা মই চিতল মাছৰ দৰে লুটিবাগৰ দিওঁ আৰু আপুনি খোলাত ভজা দি ভাজিয়ে থাকে।"[১৯]

গল্পটোত স্বাহাই অন্তৰৰ বেদনাবোৰ প্ৰকাশ কৰাৰ পিছত মালতীক প্ৰবাদ ফাঁকি কৈছিল —

"বুজিছ বাই। মই চাগৈ কেতিয়াবা নষ্ট চন্দ্ৰ দৰ্শন কৰিছিলো; শুনিছো স্বয়ং শ্ৰীকৃষ্ণয়ে নষ্ট চন্দ্ৰ দৰ্শন কৰাৰ বাবে সত্ৰাজিত ৰাজাৰ ভায়েকক বধ কৰাৰ কলংক পাইছিল।"[২০]

*'প্ৰত্যয়ৰ মৃত্যু'* গল্পত গীতাৰ লগৰ ছোৱালী চন্দ্ৰাই এফাঁকি পটন্তৰ কৈছিল —

"ঘৈণীয়ে ভাঙিলে কাঁহী, থলে মিচিকিয়াই হাঁহি; বেটিয়ে ভাঙিলে কতৰা, গড়গাঁও পালোগৈ বতৰা।" (পটন্তৰ)[২১]

গল্পটোত আকৌ গিৰীয়েক-ঘৈনীয়েকৰ কাজিয়া লগা কথাষাৰ সম্পৰ্কে এনেদৰে পোৱা যায়—

"ইমান ৰাজসুখত থাকিও মানুহবোৰক তপত ভাতৰ ধোঁৱাই খায় হ'বলা।"[২২]

*'জোৱাৰৰ পিছত'* গল্পত বিশালাক্ষীৰ লগত সতিনীৰ লগ হোৱা দেখি সতিনীৰ ভায়েকে প্ৰবাদফাঁকিলৈ মন কৰিছে —

"জ্বলা-জুইত যেন পানী পৰিল।"[২৩]

*'ভয়'* নামৰ গল্পত অভয়ৰ পত্নী সম্পৰ্কে প্ৰবীৰে ভৰা কথাষাৰ যে অমুলক সেইবাবে এইফাঁকি ফঁকৰাৰে বুজাব বিছাৰিছে —

"আদা বেপাৰীয়ে জাহাজৰ খবৰ কি বুজিবা।"[২৪]

গল্পটোত আকৌ প্ৰবীৰে এফাঁকি ফঁকৰা ব্যৱহাৰ কৰিছে —

> "বান্দৰে নাৰিকলৰ মোল কি বুজিব।"[২৫]

এনে অলেখ ফকৰা, পটন্তৰ স্নেহ দেৱীৰ গল্পত ব্যৱহাৰ হৈছে। তেওঁৰ গল্পবোৰত জতুৱা ঠাঁচ, খণ্ডবাক্য, প্ৰবচন আদিৰো ব্যৱহাৰ হোৱা দেখা যায়। যেনে—

খণ্ডবাক্য-প্ৰবচন— "জুই নজ্বলিলে ধোঁৱা নোলায়, হুলেৰেহে হুল কাঢ়িব পাৰি, আদাৰ-বেপাৰীয়ে জাহাজৰ খবৰ কি জানে, হাড়ত বন গজা, বান্দৰে নাৰিকলৰ কি মোল বুজে, জীৰ নাতি জপনাকাতি, পোৰ নাতি বীৰ ছাতি। ইত্যাদি।

জতুৱা ঠাঁচ— ডলাৰ বগৰী, মূধাফুটা, মনপুতি, দেহেকেহে, অকৰা মৈত উঠা ইত্যাদি।

'*পোহৰ*' গল্পত সুভদ্ৰাই নাতিনীয়েকক কোলাত লৈ সুৰ লগাই গোৱা গীতশাৰীত লোকগীতৰ প্ৰভাৱ মন কৰিবলগীয়া—

> "গোসাঁই গোসাঁই এ
>
> অতবেলি ক'ত?
>
> সাধু সঙ্গে মন ৰঙ্গে
>
> নাম লৈছে যত
>
> অ হৰি অ অৰ্জুনৰ সখি।[২৬]

একেদৰে '*দিবাস্বপ্ন*' গল্পটোতো লোকগীতৰ প্ৰাধান্য মন কৰিবলগীয়া।

> "নতুন গীত আৰু তাৰ লগৰ নৃত্যও চাবৰ মন আছিল যদিও ময়ো গৈ আমনি কৰা বুলি খুৰীয়েভাবে বুলি পঞ্চৱতীলৈ নগ'লো। আঁতৰৰ পৰাই কাণ দিলো, গৌৰীয়ে নাচিছে; ভৰিৰ জুনুকা বাজিছিল নৃত্যৰ তালে তালে গাইছিল—
>
> > "সোণৰ হৰিণ সোণৰ হৰিণ
> >
> > অ' মোৰ সোণৰ হৰিণ
> >
> > তোৰ দুচকুত আছে মায়া ৰঙীন।"[২৭]

উপমাৰ প্ৰয়োগ কৰি সংলাপ ৰচনা কৰা স্নেহ দেৱীৰ গল্পৰ এক বৈশিষ্ট্য। তেওঁৰ গল্পত এনে উপমাৰ সংযোগেৰে সংলাপ দিয়া ভালেমান গল্পত দেখা পাওঁ। উদাহৰণস্বৰূপে '*মেঘমুক্ত*' নামৰ গল্পত —

> "এটি গজালি পাঁচ বছৰে এজোপা গছ হৈ পৰিব পাৰে। কিন্তু বিপৰীতটোও হ'ব পাৰে, অৰ্থাৎ অংকুৰতে

মৰি যাবও পাৰে।" এইটো এটা তুলনা মাত্ৰ, সঁচা গজালিৰ ক্ষেত্ৰতকৈ কথাটো সুকীয়া। এইটো হ'ল মনৰ কোনোবা কোণত অংকুৰিত হোৱা ঈৰ্ষাৰ গজালি।"[২৮]

*'আত্মসাৎ'* গল্পত বৰঘৈণীৰ কাৰ্য্যত অতিষ্ঠ হ'লেও মহাজনে প্ৰতিবাদ কৰিব নোৱাৰে কাৰণ—

"তাতোকৈ কোদোৰ বাহত জুই দিয়া বৰ সহজ।"[২৯]

গল্পটোত বৰঘৈণীৰ চৰিত্ৰ বিশ্লেষণ কৰিছে এনেদৰে —

"বৰঘৈণী সদায়, বিনাযুদ্ধে বিজয়িনী।"[৩০]

স্নেহ দেৱীৰ *'বিনিময়'* গল্পত সেউতীৰ সম্পৰ্কীয় দেওৰেকক ভাত খুৱাবলগীয়া হোৱাত তেওঁলোকৰ দৰিদ্ৰ জীৱনৰ বৰ্ণনা এনে প্ৰবচন ফাঁকিৰে দিছিল—

"অলপ হাঁহি মাকে কৈছিল— আমাৰ আকৌ সেই যে—

"দৰিদ্ৰ লংকালৈ যায়, সাগৰ শুকায়, মাণিক লুকাই" তেনে হৈছে।[৩১]

*'মধুৰ বেদনা'* গল্পটোৰ বাসুদেৱে হীৰামাইক বিদায় দিবলৈ ওলোৱাত পিতৃ হৃদয়ৰ কৰুণ অৱস্থাৰ বৰ্ণনা দিয়া প্ৰবচনফাঁকিও মনকৰিবলগীয়া —

"চোকা কটাৰীৰে কাটিলে প্ৰথমে গম পোৱা নাযায়— পিছতহে বুজা যায় কিমান গভীৰ হৈ বহি গ'ল।"[৩২]

*'নাম দিম কল্যাণী'*ত জন্ম-মৃত্যু সম্পৰ্কে মানুহৰ ধাৰণা সুন্দৰকৈ প্ৰকাশ পাইছে—

"জন্ম, মৰণ, বিবাহ এই তিনিটাত মানুহৰ হাত নাই। ভগৱানৰ ইচ্ছাতে সকলো হয়।"[৩৩]

অসমীয়া মানুহৰ মাজত 'অচিন কাঠৰ থোৰা' নলগাবা বুলি এযাৰি প্ৰবাদ বাক্য প্ৰচলিত আছে। স্নেহ দেৱীৰ *'অপৰাধবোধ'* গল্পটোত তাৰ প্ৰতিফলন দেখা যায়—

"বিয়া দিয়া ছোৱালী বুলিলে লোকৰ বস্তু। তাতে 'অচিন কাঠৰ থোৰা' ইত্যাদি বুলি মোৰ শহুৰৰ ঘৰখনৰ কথা ওচৰৰ মানুহে মাক শুনাই থাকে। অচিন কাঠৰ থোৰা বুলি মোৰ আঢ্যৱন্ত শহুৰৰ ঘৰৰ কথাই বুজাইছিল। সেই ঘৰৰ বোৱাৰী মোৰ বেমাৰ-আজাৰ নোহোৱাটোকে মাহঁতেও বাঞ্ছা কৰিছিল।"[৩৪]

এনে বিভিন্ন মৌখিক সাহিত্যৰ প্ৰতিফলন স্নেহ দেৱীৰ গল্পত দেখা যায়। মুখ বাগৰি অহা কথাবোৰ মানুহৰ মণিকোঠাত আৱদ্ধ হৈ থাকে। স্নেহ দেৱীৰ গল্পৰ নীতিবাক্য, ফকৰা, প্ৰবচন, খণ্ডবাক্য, ডাকৰ বচন আদিৰ ব্যৱহাৰত অসমীয়া সমাজত পৰম্পৰাগতভাৱে চলি অহা মৌখিক সাহিত্যৰ প্ৰতিফলন ঘটিছে। এইবোৰৰ ব্যৱহাৰৰ বাবে তেখেতৰ গল্পই থলুৱা মাটি, পানীৰ গোন্ধৰে অসমীয়া লোক সমাজৰ হুবহু প্ৰতিচ্ছবি দান কৰিবলৈ সক্ষম হৈছে।

**৩.০২ স্নেহ দেৱীৰ গল্পত ভৌতিক সংস্কৃতি**

মানুহৰ জীৱন ধাৰণৰ বাবে বিভিন্ন সামগ্ৰীৰ প্ৰয়োজন হয়। সেয়ে নিজে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰি ল'বলগীয়া হয়। জীৱন ধাৰণত এনে তৈয়াৰ কৰি লোৱা সামগ্ৰীসমূহেই ভৌতিক সংস্কৃতি। একেটা বস্তু জনগোষ্ঠী ভেদে আকাৰ, ব্যৱহাৰ আদিৰ ভিন্নতাও লক্ষ্য কৰিব পাৰি। এনেবোৰ সামগ্ৰীয়েই সেই জনগোষ্ঠীসমূহৰ সংস্কৃতিৰ অন্তৰ্ভূক্ত হৈ পৰে। প্ৰাকৃতি লোক জীৱন (physical folklore)ক সাধাৰণতে ভৌতিক সংস্কৃতি আখ্যা দিব পাৰি। পৰম্পৰাগত আৰু ৰক্ষণশীল ঐতিহ্যৰ অংগীভূত বাচিক কলা-কৌশল, পাৰদৰ্শিতা পদ্ধতি আদিক সাধাৰণতে ভৌতিক সংস্কৃতি বোলে। গৃহ নিৰ্মাণ, কাপোৰ বোৱা, খাদ্য প্ৰস্তুত, খেতিবাতি, জন্তু পালন, যন্ত্ৰপাতি নিৰ্মাণ, বাচন-বৰ্তন প্ৰস্তুত আদি ভৌতিক সংস্কৃতিৰ লক্ষণ। এই দিশেৰে লক্ষ্য কৰি ভৌতিক সংস্কৃতিক পাঁচটা ভাগত ভাগ কৰিব পাৰি।

"লোক সংস্কৃতিৰ অন্তৰ্গত ভৌতিক সংস্কৃতিৰ পাঁচটা ভাগ হ'ল" [৩৫]

ক। লোকশিল্প,

খ। লোককলা,

গ। লোকস্থপতিবিদ্যা

ঘ। লোকআভৰণ আৰু

ঙ। লোকৰন্ধন প্ৰণালী।

ভৌতিক সংস্কৃতিক দৃশ্যমান লোকসংস্কৃতি বুলি কোৱা হয়। জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় আহিলা নিৰ্মাণ বা খাদ্য দ্ৰব্য প্ৰস্তুতকৰণৰ নান্দনিকতাক গুৰুত্বহীন কৰিলেও সৃষ্টিৰ আনন্দই এই সংস্কৃতিক জীপাল কৰি ৰাখে।

"হীৰা কুমাৰৰ মাটিৰ বাচন-বৰ্তন, মূৰ্তি নিৰ্মাণ, বাঁঢ়ে, সূতাৰ আদিৰ কাঠৰ বস্তু, কুঁহিলাৰ পৰা প্ৰস্তুত কৰা পুতলা, হাতীদাঁতৰ অলংকাৰ আদি এই লোকশিল্পৰ ভিতৰত পৰে।"[৩৬]

চিত্ৰ, ভাস্কৰ্য, পুথিচিত্ৰ আদিৰ লগতে গোসাঁইঘৰ, নামঘৰ, সত্ৰ আদিত থকা গুৰুআসন, সিংহাসন আদি কাঠেৰে নিৰ্মাণ কৰা বস্তুবোৰত খোদিত ভাস্কৰ্য সমূহত লোককলাৰ আভাস পোৱা যায়।

সাজপাৰ, আ-অলংকাৰ, প্ৰসাধনীয় সামগ্ৰী আদিক লোক আভৰণ বোলা হয়।

আনহাতে বিভিন্ন খাদ্যদ্ৰব্য প্ৰস্তুতকৰণ, পিঠা-পনা, মাহ-কৰাই, পায়স, খিচুৰী আদি ৰন্ধন প্ৰণালীক লোক ৰন্ধন প্ৰণালী আখ্যা দিয়া হয়।

স্নেহ দেৱীৰ গল্পত এনেবোৰ ভৌতিক সংস্কৃতিৰ প্ৰতিফলন দেখা যায়। তেখেতৰ বিভিন্ন গল্পত জীৱন ধাৰণৰ বাবে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীৰ বৰ্ণনা আছে।

লেখিকাৰ *'অন্তৰালত'* গল্পটোত গ্ৰাম্য সমাজৰ চিত্ৰণ কৰোতে গল্পকাৰে ধান বানি চাউল কৰা কাৰ্যৰ বৰ্ণনা দিছে এইদৰে—

"পিছত আজৰি হৈ মাক-জীয়েকৰ ধান বনাৰে পৰা আৰম্ভ কৰি ঘৰখনৰ কত কাম।"[৩৭]

অসমীয়া সমাজত ঘৰখনত দৰকাৰী কাপোৰ-কানিবোৰ নিজেই তৈয়াৰ কৰি লৈছিল। কাপোৰ বব নজনাটো অসমীয়া নাৰীৰ লাজ লগা কথা। বোৱা-কটাৰ বৰ্ণনা *'অন্তৰালত'* গল্পটোত লালু মহৰীৰ ঘৈনীয়েকে বোৱাকটা নজনা বাবে জেঠেৰিয়েকে বেয়া পোৱা কথাটো গুনীনে আইতাকক কৈছিল এইদৰে—

"বিহুৰ কাপোৰৰ বাবে হেনো দ্বন্দ্বখন লাগিছিল, তাই হেনো বব-কাটিব নেজানে।"[৩৮]

অসমীয়া ছোৱালীৰ খেতি-বাতিত সহায় কৰা বা ভূঁই ৰোৱা কাৰ্যৰ বিৱৰণো গল্পটোত আছে—

"কটনা কাটি ভুঁই ৰুই খাব পৰা ছোৱালী বিয়া কৰাব লাগিছিল"[৩৯]

বিভিন্ন আ-অলংকাৰৰ বৰ্ণনাও স্নেহ দেৱীৰ গল্পত আছে। *'গৌৰীপ্ৰভাৰ অশান্তি'* নামৰ গল্পটোত এনে বৰ্ণনা পোৱা যায়।

"নখন ৰঙা বাখৰ থকা দুগদুগি। সৰু কিন্তু ধুনীয়া তলত এটা লটকন ওলমি থকা।"[৪০]

পুখুৰী, বাঁহৰ জেওৰা দিয়া আদি ভৌতিক সংস্কৃতি। অসমীয়া সমাজ জীৱনত ঘৰৰ চাৰিওফালে বাঁহৰ জেওৰা দিয়া এক নিয়ম এনেধৰণৰ উল্লেখ *'দিবাস্বপ্ন'* গল্পটোত আছে।

"ঘৰৰ আগত এজোপা প্ৰকাণ্ড কঁঠাল গছ আৰু সোমাই যাওতে সোঁহাতে আছে এটা পুখুৰী, ভালকৈ জেওৰা দি বেঢ়ি থোৱা।"[৪১]

*'নীৰৱ সিদ্ধান্ত'* গল্পটোত লোক আভৰণৰ স্পষ্ট নিদৰ্শন দেখা যায়—

"গাভৰুৰ গাত এযোৰ বগা মেখেলা চাদৰ, এটা পাতল নীলা ৰঙৰ ব্লাউজ। দুহাতে দুপাট পিতলৰ বালা।"[৪২]

অসমীয়া ছোৱালীয়ে পঢ়াশুনা কৰাৰ উপৰিও চিলাইৰ কাম বা অন্যান্য কাম কৰা বৰ্ণনা স্নেহ দেৱীৰ *'উপশম'* গল্পটোত পোৱা যায়।

"শকুন্তলাই ঘৰৰ কাম কৰে, চিলাই কৰে, ঘৰতে পঢ়াশুনাও কৰে।"[৪৩]

অসমীয়া সমাজত বিভিন্ন উৎসৱ-অনুষ্ঠানত ৰাজহুৱাকৈ ৰন্ধাবঢ়া কৰা হয়। স্নেহ দেৱীৰ

*'এটি বিশেষ ৰাতি'* গল্পটোত ৰাজহুৱা ভোজৰ ৰন্ধন প্ৰণালীৰ বৰ্ণনা আছে—

> "সেইদিনাও এই ঘৰখনত উখল-মাখল আনন্দৰ পৰিবেশ বিৰাজ কৰিছিল। সেইদিনা আছিল ভোজৰ দিন। বেলেগ বেলেগ ঠাইত ৰন্ধা-বঢ়া হৈছে, মাছ-মঙহ নোখোৱাসকলৰ বাবে নিৰামুহীয়া আয়োজন কৰা হৈছে। বয়সস্থসকলৰ বাবে— অৰ্থাৎ যিসকলে ৰাজহুৱা চৰুত খাবলৈ আপত্তি কৰে, তেনে লোকৰ বাবে আছুতীয়াকৈ ৰন্ধাৰ ব্যৱস্থা কৰা হৈছে। কেইগৰাকীমান উৎসাহী মহিলাই ৰন্ধন প্ৰণালী চাই নতুন ধৰণৰ কিবাকিবি ৰন্ধাৰ ব্যৱস্থাত ব্যস্ত হোৱাও দেখা গৈছিল।"[৪৪]

অসমীয়া মহিলাই তাঁতশালত বহি সপোন ৰচে, দুখ-ভাগৰ পাহৰে। নিজে বোৱা কাপোৰ পিন্ধায়ো সুখ পায়। তেনে কথাৰ বিৱৰণ স্নেহ দেৱীৰ *'বিভিন্ন বেদনা'* গল্পটোত পোৱা যায়—

> "আগেয়ে হ'লে অলকাক তাঁতশালত বহি থকা দেখিলেই কৈছিল—
> 'তইনো এই তাঁতশালখনকে দিনটো ধৰি থাকি কি সুখ পাৱ অ বাইদেউ? মই যে ভাবি নেপাওঁ। অলকাৰ ক'বৰ মন যায়— তই কি বুজিবি বাৰু, মোৰ ব্যৰ্থ জীৱনৰ কথা এনেকৈয়ে পাহৰি থাকোঁ। দিনত তাঁতশাল, ৰাতি মৃদু। তাঁতশালে মোক অন্য চিন্তা আহিবলৈ সুৰুঙা নিদিয়ে। নিশাৰ মোহিনী মায়ায়ো মোক অন্যমনস্ক কৰিব নোৱাৰে। মোৰ বুকুত শুই থকা মৃদু মোৰ ৰক্ষাকবচ। ফুটাই কয়, কিয় বাৰু তোক পিন্ধায়োতো মই সুখ পাওঁ।"[৪৫]

অসমীয়া সমাজত বোৱা-কটাৰ বাবে উঘা আৰু মাছ মাৰিবলৈ জাকৈ বাঁহেৰে নিৰ্মাণ কৰা হয়। এইবোৰ সামগ্ৰী নাৰী সমাজৰ লগত ওতপ্ৰোতভাবে জড়িত। *'সহযোগ'* গল্পটোত এইবোৰৰ বৰ্ণনা আছে এইদৰে—

> "তাৰপিছত এহাতে উঘাটো আৰু আন হাতত জাকৈ এখন লৈ কঁকালত খালৈ বান্ধি নৈলৈ গ'ল।"[৪৬]

তাঁতশাল অসমীয়া সংস্কৃতিৰ এক এৰাব নোৱাৰা সম্পদ। অসমীয়া তিৰোতাই তাঁতশালত নিজৰ কাপোৰ-কানিৰ লগতে ঘৰখনৰ কাপোৰ-কানি নিজেই বয়। *'অসমাপ্ত চিঠি'* গল্পটোত তাৰ বৰ্ণনা দিছে এইদৰে—

> "তাঁতশালত কিবা এখন কাপোৰ লগাই থোৱা আছে।"[৪৭]

অসমীয়া তিৰোতাৰ কাণৰ কেৰু, সোণৰ বালা বৰ আদৰৰ বস্তু। সধৱা নাৰীয়ে এইবোৰ পিন্ধে। কিন্তু বিধৱা নাৰীয়ে এইবোৰ ত্যাগ কৰে। *'বিনিময়'* গল্পত তাৰেই প্ৰতিফলন হোৱা দেখা যায়—

> "তোমাৰ মাৰৰ সোণৰ বালা পিন্ধিবৰ দৰকাৰো নোহোৱা হ'ল।"[৪৮]

ঘৰুৱা কাম কৰাৰ উপৰিও অসমীয়া ছোৱালীয়ে তাঁত বোৱা, চিলাই আদি কামো কৰিছিল। তাৰ বৰ্ণনা *'প্ৰিয় অসত্য'* গল্পটোত দিছে এইদৰে—

"চিলাই কামত সৰুৰে পৰা চখ আছিল অজয়াৰ। খোৱা-বোৱা এৰি চিলাইত লাগি থকা বাবে কতদিন মাকে বকিছে— হেৰ চকু দুটা নষ্ট কৰিব খুজিছ নেকি?.... ফ্ৰক, পেনি, চেমিজ, ব্লাউজ, জাঙিয়া, বডিজ, টুকুৰা কাপোৰ জোৰা দি জীয়েকহঁতলৈ ফ্ৰক তৈয়াৰ কৰে। ঠহা মৰা হয়। অজোখা হয়, হওক ধৈৰ্যৰ সীমা এটাওতো আছে মানুহৰ।"[৪৯]

স্নেহ দেৱীৰ *'প্ৰচ্ছন্ন কামনা'* গল্পটোত অসমীয়া সমাজৰ ৰন্ধন প্ৰণালীৰ চিত্ৰণ লক্ষনীয়—

"নিজহাতে বাৰীৰ পৰা শাক-পাচলি তুলি আনেগৈ, কেতিয়াবা একোখন আঞ্জা ৰান্ধিও খুৱায়; কোনোবাই বাধা দিব খুজিলে হাঁহি কয়— খাই চালে বুজিব মই এজন পাকৈত ৰান্ধনি।"[৫০]

*'প্ৰচ্ছন্ন কামনা'* গল্পটোত সোণৰ বালা এযোৰৰ বিৱৰণ দিছে এনেদৰে—

"অলংকাৰ আনে কি পিন্ধিছে চকুত নপৰিলে, ছোৱালীজনীক দুয়োহাত মেলি ওচৰলৈ নিব খোজা হাত দুখনত এযোৰ সোণৰ মিহি বালা দেখিলে।"[৫১]

অসমীয়া সমাজত ঘৰতে বনোৱা চিৰা, সান্দহ আদি অতি আদৰৰ আৰু অসমীয়া মানুহৰ অতি লোভনীয় বস্তু। *'শুভযাত্ৰা'* গল্পটোত ইয়াৰ বৰ্ণনা লক্ষ্য কৰা যায় এনেদৰে—

"মাৰে চিৰা সান্দহ কিবাকিবি বান্ধি থৈছে। হওক। দুই বিধৰে অলপ অলপ দিব লাগিব। তিনি দিনৰ বাট।"[৫২]

স্নেহ দেৱীৰ গল্পত যদিও ভৌতিক সংস্কৃতিৰ প্ৰতিফলন পৰ্যাপ্ত পোৱা নাযায় তথাপিও ওপৰোক্ত আলোচনাৰ পৰা আমি দেখা পাওঁ যে ভৌতিক সংস্কৃতিক বাদ দি তেখেতে গল্প ৰচনা কৰিব পৰা নাই। গ্ৰাম্য সংস্কৃতিৰ প্ৰাধান্য থাকিলেও তেখেতৰ বেছিভাগ গল্প পাৰিবাৰিক সমস্যা আৰু মানসিক দ্বন্দ্বৰ ওপৰত কাহিনী প্ৰস্তুত কৰিছে। সংস্কৃতিৰ দিশটো কমকৈ প্ৰতিফলিত হোৱা দেখা যায় যদিও তেখেতৰ গল্প লোকাচাৰৰ প্ৰতিফলনৰ পৰা মুক্ত হোৱা নাই।

### ৩.০৩ স্নেহ দেৱীৰ গল্পত সামাজিক লোকাচাৰ

মানুহৰ পৰম্পৰাগত জীৱনক একপ্ৰকাৰ সামাজিক লোকাচাৰ আখ্যা দিব পাৰি। সমাজ আৰু পৰিয়ালৰ মাজত উদ্‌যাপিত কৃষি, জন্ম, বিবাহ, মৃত্যু আদি বিষয়ক ৰীতি-নীতি পৰম্পৰাগত জীৱনৰ পৰিসীমাত সামৰিব পাৰি। এনে ধৰণৰ ৰীতি-নীতি আৰু আচাৰ ব্যৱস্থাসমূহ মুখ্যতঃ লোক বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত।

সমূহীয়াকৈ পতা আচাৰ-অনুষ্ঠান, আমোদ-প্ৰমোদত সমাজৰ বেছিভাগ লোকেই অংশগ্ৰহণ কৰে। এনেদৰেই লোক উৎসৱৰ সৃষ্টি হৈছে। অসমৰ এই লোক উৎসৱসমূহক নিম্নোক্ত ভাগসমূহত ভাগ কৰিব পাৰি। যেনে—[৫৩]

ক। ঋতুকালীন উৎসৱ।

খ। হিন্দু পঞ্জিকা আশ্ৰয়ী উৎসৱ।

গ। জীৱন বৃত্তৰ লগত জড়িত উৎসৱ।

গ। সীমিত অংশগ্ৰহণ কৰা উৎসৱ।

ক) **ঋতুকালীন উৎসৱ ঃ**

প্ৰকৃতিৰ লগত সম্পৰ্কীত এই ঋতুকালীন উৎসৱ বিশেষকৈ কৃষিভিত্তিক। অসমৰ কৃষিজীৱী জনসাধাৰণে শ্ৰমৰ পৰা সাময়িক মনোৰঞ্জন তথা প্ৰকৃতি দেৱীৰ সন্তুষ্টিৰ বাবে এই উৎসৱসমূহ পালন কৰা দেখা যায়। অসমৰ প্ৰধান উৎসৱ বিহু ঋতুকালীন উৎসৱৰ এক অংগ। ইয়াৰ উপৰিও জনজাতিসকলৰ বিভিন্ন কৃষিভিত্তিক উৎসৱ আছে। যেনে, মিচিংসকলৰ— আলি আয়ে লৃগাং, নৰাছিগা; পৰাগ; কাৰ্বিসকলৰ— ইন্দ্ৰ দেৱতাৰ পূজা, চজুন বৰ্ষাদেৱীৰ পূজা, ৰলকেতেৰ, লখিমীক আদৰা, লক্ষ্মী-কেপ্লাং; খাচীসকলৰ— কৃষিৰ অধিষ্ঠাত্ৰী দেৱীক সন্তুষ্ট কৰা নংক্ৰেম; গাৰোসকলৰ— বীজ ৰোপণ উৎসৱ। আগালমাকা, দামা, যোগাতা, শৰৎকালীন উৎসৱ, জামে গাপা আহা ইয়া, বাংগালা; মিজোসকলৰ ভূমি পূজা, বড়োসকলৰ আশু খেৰাই, শালি খেৰাই, মাইনাও; ৰাভাসকলৰ বসন্তকালীন উৎসৱ— বায়খো, খোকচি; তিৱাসকলৰ— জংখং; কোচ ৰাজবংশীসকলৰ— হুদুম পূজা; অসমীয়া সমাজত প্ৰচলিত ভূমি মাতৃৰ পূজা অম্বুবাচী, আমতী, ষাঁঠ আদি কৃষিভিত্তিক উৎসৱ।

খ) **পঞ্জিকা আশ্ৰয়ী উৎসৱ ঃ**

পঞ্জিকাক কেন্দ্ৰ কৰি বিভিন্ন উৎসৱ-অনুষ্ঠান অসমীয়া সমাজে পালন কৰে—

> "মাহ, সংক্ৰান্তি, পূৰ্ণিমা, একাদশী আদি পালন কৰাৰ উপৰিও মহাপুৰুষ, অৱতাৰ পুৰুষ, বীৰ পুৰুষ আদিৰ জন্মতিথি, মৃত্যুতিথি আদি পালন কৰা হয়।"[৫৪]

মুছলমানসকলৰ— ঈদ, ৰমজান, মহৰম, ঈদ উজ জোহা, সবেবৰাত; খৃষ্টানসকলৰ— গুড ফ্ৰাইডে, বৰদিন; বৌদ্ধসকলৰ— বুদ্ধ পূৰ্ণিমা; জৈনসকলৰ— গুৰু নানকৰ জন্মজয়ন্তী আদি পঞ্জিকা আশ্ৰয়ী উৎসৱৰ ভিতৰত পৰে।

গ) **জীৱন বৃত্তৰ লগত জড়িত উৎসৱ ঃ**

মানুহৰ জীৱন বৃত্তৰ লগত বিভিন্ন উৎসৱ-অনুষ্ঠান সংযুক্ত হৈ থাকে। অসমীয়া লোক সংস্কৃতিতো মানুহৰ জন্মৰ পৰা মৃত্যুলৈকে বিভিন্ন উৎসৱ-অনুষ্ঠান পালন কৰা দেখা যায়। যেনে—

গৰ্ভ ধাৰণৰ পাঁচ মাহত ‘পঞ্চামৃত’ সাত মাহত ‘সাতভক্ষণ’ আঠ মাহত ‘পোহন বিয়া’, ‘জেওৰা দিয়া’ ইত্যাদি। সন্তান জন্মৰ এঘাৰ দিনত নৱজাতকক সূৰ্য দেখুওৱা, অশুচীয়া নাম, গণনিপতা আদি জন্মসম্পৰ্কীয় লোকাচাৰ। শিশুৰ জন্মৰ পিছতো বিভিন্ন অনুষ্ঠান থাকে। যেনে— অন্নপ্ৰাসন, চূড়াকৰণ, কাণ বিন্ধোৱা, তোলনি বিয়া, লগুণ দিয়া, দীক্ষা, শৰণ, গুৰুসেৱা ইত্যাদি।

বিবাহৰ লগতো বিভিন্ন লোকাচাৰ জড়িত হৈ আছে। যেনে— কইনা চোৱা, আঙঠি পিন্ধোৱা, জোৰণ, তেলৰ ভাৰ, বিয়া, বাহী বিয়া, আঠমঙলা, অতিথি মিলন ইত্যাদি।

অসমীয়া সমাজত মৃত্যুৰ লগতো বিভিন্ন লোকাচাৰ পালন কৰা দেখা যায়। যেনে দাহন, শুদ্ধি, দহা, শ্ৰাদ্ধ, পিণ্ডদান, মৎস্যস্পৰ্শ, ভোজ, জ্ঞাতিক দিয়া ভোজন ইত্যাদি।

এইদৰে মানুহৰ জন্মৰ পৰা মৃত্যুলৈ বিভিন্ন নিয়ম-নীতি, সংস্কাৰ, উৎসৱ, অনুষ্ঠান আদি অসমীয়া সমাজে পালন কৰি মংগল কামনা কৰা দেখা যায়।

ঘ। **সীমিত অংশগ্ৰহণ কৰা উৎসৱ ঃ**

অসমীয়া সমাজত কিছুমান উৎসৱ-অনুষ্ঠান নিজৰ গৃহত বা সমাজত সীমিত অংশগ্ৰহণৰ মাধ্যমেদি উদ্‌যাপন কৰা দেখা যায়। যেনে—

> “সত্য নাৰায়ণ পূজা, মনসা পূজা, বিশ্বকৰ্মা পূজা, গৃহ শান্তি পূজা ইত্যাদি। এই অনুষ্ঠানবোৰত কেৱল নিমন্ত্ৰিত অতিথিসকলেহে অংশগ্ৰহণ কৰা দেখা যায়।”[৫৫]

সামাজিক লোকাচাৰৰ লোকগীত, জনশ্ৰুতি, সাধুকথা, মন্ত্ৰ, আদি জড়িত আছে। লোকাচাৰসমূহ পুৰুষাণুক্ৰমে চলি আহিছে। যেনে— ব’হাগ বিহুৰ সময়ত সাতশাকী খোৱা প্ৰথাটো পৰম্পৰাগতভাবে চলি আহিছে। কাতি বিহুত পোক-পৰুৱা নিয়ন্ত্ৰণৰ বাবে পথাৰত চাকি-বন্তি জ্বলোৱা, বৰষুণৰ কামনাৰে ভেকুলী বিয়া পতা, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, পচতি, বসন্ত ৰোগৰ উপশমৰ বাবে শীতলা পূজা, আই সবাহ, আদি অসমৰ বহু পুৰণি উৎসৱ-অনুষ্ঠান। ল’ৰা-ছোৱালী শুকাই-খীনাই গ’লে অপেছৰী সবাহ পতা, কুমাৰী পূজা, গৰখীয়া সবাহ আদি উৎসৱ পালন কৰা লোকাচাৰ অসমীয়া সমাজত প্ৰচলন আছে। অসমীয়া সমাজত বিভিন্ন লোকবিশ্বাসো প্ৰচলিত আছে।

> “জীৱ-জন্তু, চৰাই-চিৰিকতি, সম্পৰ্কীয় বিভিন্ন লোক বিশ্বাস, আজিও অসমীয়া সমাজে বিশ্বাস কৰি আছে।”[৫৬]

লোক বিশ্বাসৰ ভিতৰত কিছুমান নিষেধ সম্পৰ্কীয় লোক বিশ্বাস আছে। এইবোৰ পশু-পক্ষী, গছ-লতা, ধৰ্ম, নীতিজ্ঞান, খোৱা-বোৱা আদিক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা দেখা যায়। যেনে— চুৱামুখে পাণ ছিঙিব নাপায়, দুপৰীয়া ভিক্ষা দিব নাপায়, দুৱাৰডলিত বহি একো খাব নাপায়, যঁজা তামোল,

কল খালে যঁজা সন্তান হয়। টেঙা, তিতা, খাৰ, শাক আদি ৰাতি খাব নালাগে; হাতে হাতে পাণ ফলা নিষেধ ইত্যাদি।

পাৰ চৰায়ে ৰ'দত চালি ধৰিলে, গাউনি ওলালে, ভেকুলীয়ে মাতিলে বৰষুণ হয় বুলি লোক বিশ্বাস আছে। আকৌ আকাশত হাতীপটি ওলালে, খৰ পোকে মাতিলে খৰাং হয় বুলি বিশ্বাস আছে।

জন্ম, মৃত্যু, বিবাহ সম্পৰ্কেও বিভিন্ন লোক বিশ্বাস জড়িত আছে। যেনে— গৰ্ভৱতী নাৰী শ্মশানৰ মাজেৰে যাব নাপায়, প্ৰসূতি গৃহত জুই ৰখা, ল'ৰা জন্ম হ'লে উৰুলি দিয়া ছোৱালী হ'লে ঢেঁকী দিয়া আদি বিশ্বাস অসমীয়া সমাজত প্ৰচলিত আছে। বিবাহ সম্পৰ্কে বিভিন্ন বাধা-নিষেধ লোক বিশ্বাস অন্তৰ্গত। যেনে—

> "স্বগোত্ৰ বিবাহ নিষেধ, আউসী, জন্ম বাৰত বিয়া পতা নিষেধ, জেঠ মাহত জ্যেষ্ঠ ল'ৰা-ছোৱালীৰ বিয়া পতা নিষেধ। আকৌ গাত পখিলা পৰিলে বিবাহ সন্মুখত বুলিও বিশ্বাস কৰা হয়।"[৫৭]

মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ ভিতৰত মৃতকৰ সন্তান, জ্ঞাতিসকলে ব্ৰত কৰিব লাগে, মৃতদেহ সৎকাৰ কৰি আহি হাত-ভৰি সেকিব লাগে। দা বা কটাৰী লগত ৰাখিব লাগে। যাচা খোৱা, দহা, শ্ৰাদ্ধ, পিণ্ডদান আদি লোকাচাৰসমূহ অসমীয়া সমাজত পালিত হয়।

স্নেহ দেৱীৰ গল্পতো এনে বিভিন্ন লোকাচাৰ প্ৰতিফলিত হোৱা দেখা যায়। অসমৰ গ্ৰাম্য সমাজখনত পৰম্পৰাগতভাবে চলি থকা বিভিন্ন লোকাচাৰ এখেতৰ গল্পবিলাকত দেখা যায়। যেনে বেমাৰ বেছি হ'লে নদীত নামি আয়ু তোলা, মঙল চোৱা, আহুদি কৰা বশীকৰণ কৰা, ডাইনী আদি বিভিন্ন লোকাচাৰৰ বৰ্ণনা তেওঁৰ গল্পত সোমাই পৰিছে। তামোল-পাণৰ ব্যৱহাৰৰ পৰা আৰম্ভ কৰি বিহুত লাডু-পিঠা, আলু-কচু খোৱা লোক বিশ্বাসো স্নেহ দেৱীৰ গল্পত পোৱা যায়। তলত স্নেহ দেৱীৰ গল্পত সামাজিক লোকাচাৰৰ প্ৰতিফলন সম্পৰ্কে আলোচনা কৰা হ'ল—

বিহু অসমীয়া জাতীয় জীৱনৰ এক গুৰুত্বপূৰ্ণ উৎসৱ। *'কৰুণ উলাহ'* গল্পটোত দেখা যায় যে—

> "বিহুত প্ৰকৃতিৰ লগতে মানুহৰ মনবোৰো মতলীয়া হয়। গধূলি ঘৰলৈ এযোৰা হুঁচৰি আহিছে। আগচোতালত আটায়ে হুঁচৰি চোৱাত ব্যস্ত। আনকি বুঢ়ীমাকো। এবাৰ বুঢ়ীমাকে সৰযূক ক'লে তেওঁ সজাই থোৱা হুঁচৰিৰ মাননি তামোল-পাণ আৰু অৰিহণাৰ বটাটো ভিতৰৰ পৰা উলিয়াই আনিবলৈ, সৰযু সোমাই গ'ল।"[৫৮]

অসমীয়া লোক বিশ্বাসমতে কাৰোবাৰ বসন্ত ওলালে আই সবাহ পাতে। আৰু এই আই সবাহত মাতিলে যিকোনো প্ৰকাৰে যাবই লাগে, নগ'লে অনিষ্ট হয় বুলি বিশ্বাস আছে। স্নেহ দেৱীৰ

*‘ফেঁহুজালি’* গল্পটোত তেনে কথাৰ উল্লেখ আছে—

> “এতিয়া মা ঘৰত নাই। মায়ে আবেলি এটা সৰু ল’ৰাক পঢ়াবলৈ যায়। আজি পিছে মা টিউচনলৈ যোৱা নাই, এঘৰত আই সবাহ পাতিছে। সবাহলৈ মাতিলে নোযোৱাকৈ থাকিব নাপায়, মা তালৈকে গৈছে। আহোতে নিশ্চয় পলমেই হ’ব। টিপটিপকৈ বৰষুণো পৰিবলৈ ধৰিছে।”[৫৯]

স্নেহ দেৱীৰ *‘অন্তৰালত’* গল্পটোত মাঘ আৰু বহাগ বিহুৰ বৰ্ণনা লক্ষনীয়—

> “মাঘৰ বিহুলৈ বেছিদিন নাই, যুতীৰ মাকৰ আকৌ অসময়ত জ্বৰ উঠিল। যুতী অকলেই গ’ল পথাৰলৈ। একেবাৰে আলিৰ দাঁতিৰখিনিহে কাটিবলৈ বাকী আছেগৈ, সেই খণ্ডত আনৰ ধান কটা হ’লৈই।”[৬০]

*‘অন্তৰালত’* গল্পত —

> “ব’হাগৰ বিহুৰ উখল-মাখল তেতিয়াও মাৰ যোৱা নাই।”[৬১]

অসমীয়া গ্ৰাম্য সমাজত ব্যৱহাৰ কৰা বনৌষধ, জৰা-ফুকা বিভিন্ন গ্ৰাম্য লোক বিশ্বাস স্নেহ দেৱীৰ গল্পত পৰিস্ফুট হোৱা দেখা যায়। স্নেহ দেৱীৰ *‘ফুলীবাই’* গল্পটোত তাৰেই প্ৰতিফলন হোৱা দেখা যায় —

> “বাৰীৰ চুকৰ বনশাক আৰু গাঁৱৰ ওজাৰ কেইপালিমান দৰবেও যেতিয়া গুণ নিদিলে, তেতিয়া তাৰ বন্ধু আন এটা অফিচৰ চকীদাৰে ক’লা বস্তুটোৰ নিৰ্ঘাত গুণৰ কথা ক’লে, মই বেছিকৈ কি ক’ম, তুমি এদিন ব্যৱহাৰ কৰিলেই গম পাবা। ক’ৰ পেটৰ বিষ ক’লৈ যাব ক’বই নোৱাৰিবা নহয়।”[৬২]

*‘সহযোগ ’* গল্পটোত অসংখ্য লোক বিশ্বাস জড়িত হৈ আছে। মাহিন্দ্ৰীৰ নাতিয়েকৰ জ্বৰ কমাবলৈ বিভিন্ন গ্ৰাম্য বিশ্বাসৰ আশ্ৰয় লৈছে—

> “নাতি ল’ৰাটোৰ একেটা জ্বৰেই আজি সাতদিনে এৰা নাই। টোপোলা-টাপলি সকলো মিছা হৈছে। পানীতে প্ৰথমে ভয় খাই জ্বৰ উঠিছিল সেইবাবে আয়ু তোলোগৈ। নহ’লে আন উপায় নাই; মণ্ডলেতো তাকে ক’লে। তালৈকেহে কণী এটা বিচাৰিছোঁ। সোনকালে দে বাই; আৰু তয়ো বল মোৰ লগতে।”[৬৩]

অসমীয়া সমাজৰ পৰম্পৰামতে ৰাতিপুৱাই উঠি চোতাল সৰা, গা ধুই ৰান্ধনি ঘৰত যোৱা আদি নিয়ম বৰ কঠোৰভাবে পালন কৰিবলগীয়া হয়। এনে নিষ্ঠা, সদাচাৰবোৰ মানি নচলিলে ঘৰত অপায়-অমংগল হোৱাৰ আশংকা থাকে। তেনে কথা *‘সহযোগ’* গল্পটোত বৰ্ণনা কৰিছে এইদৰে—

> “ভানুমতীয়ে চোতালখন সাৰি আছিল, মাহিন্দ্ৰীয়ে চেপা মাতেৰেই দপ্‌দপাই উঠিল—
>
> “অতপৰে তই গা ধোৱাগৈ নাই, তোৰ দোষতেই এতিয়া ল’ৰাৰ এয়া, মই বুঢ়ীজনীয়ে টাকুৰি ঘূৰিছোঁ।”[৬৪]

গল্পটোৰ আন এঠাইত মণ্ডল চোৱাৰ প্ৰসংগ উল্লেখ কৰিছে এনেদৰে —

"মই মঙল চোৱাই আহিছো, ল'ৰাৰ জল খাই দেৱতাৰ দোষ লাগিছে। খবৰদাৰ অনাচাৰ নকৰিবি। মই যি কওঁ তাকে কৰিবি। সি গৰুৰে পোনেই দেৱাইৰ নাম লয়। সি দেৱাই আনি দিয়ে যদিও হাতেৰেই নুচুবি। ক'লো!"[৬৫]

পুৰণিকলীয়া লোক বিশ্বাসবোৰক আকৌ আজিৰ প্ৰজন্মই অন্ধবিশ্বাস জ্ঞান কৰি সেইবোৰৰ প্ৰতিবাদো কৰিছে—

"খালী সকাম, সকাম, সকাম! ভূতে পাইছে; অপদেৱতাৰ দোষ! পাওঁক— মাৰক, আটাইবোৰকে মাৰি নিয়ক! এটা এটাকৈ চোঁচৰাই নি সৌ নৈৰ পাৰত পুতি থৈ আহিমগৈ।"[৬৬]

লোক বিশ্বাসমতে ল'ৰা-ছোৱালীৰ আয়ু তোলা দৃশ্যটো স্নেহ দেৱীৰ *'সহযোগ'* গল্পটোত সুন্দৰকৈ প্ৰতিফলিত কৰিছে—

"শাহুয়েকৰ মাতত তাই ওলাই আহিল। ইতিমধ্যে মধুমতী আৰু এজনী গাঁৱৰে বুঢ়ী মানুহো আহি পাইছে। মাহিন্দ্ৰীৰ নিৰ্দেশমতে ভানুৱে ল'ৰাটো কোলাত লৈ চোতালত বহিল। মাহিন্দ্ৰীয়ে এৰাঁ সূতাৰ উঘা আনি সূতাৰ আগেৰে ল'ৰাটোৰ কঁকালত এটা গাঁঠি দিলে। তাৰ পিছত এহাতে উঘাটো আৰু আন হাতত জাকৈ এখন লৈ কঁকালত খালৈ বান্ধি নৈলৈ গ'ল। লগে লগে মধুমতী আৰু বুঢ়ীজনীও গ'ল। বুঢ়ীয়ে হাতত বাঁহৰ খুঁটি এটা নিছিল। খুঁটিটো পানীযুঁৰলীত পুতি দিলে। তিনিওজনী একাঁঠুৰা পানীত নামিল। লগত নিয়া কণীটো জাকৈখনত থৈ ঠাইতে জাকৈখন পানীত ডুবাই তুলি আনিলে; যদি খেৰকুটা কিবা এডাল জাকৈত উঠে তাকে খপকৈ খালৈত ভৰায়। এনেকৈ তিনিবাৰ কৰিলে। প্ৰত্যেকবাৰ জাকৈখন বাওঁতে এজনীয়ে সোধে— কি তুলিছ? ইজনীয়ে উত্তৰত বেমাৰী ল'ৰাটোৰ নাম লৈ তাৰ 'আয়ু তুলিছো' বুলি কয়। শেষৰবাৰ কণীটো খালৈত ভৰাই লৈ, এৰাঁ সূতাডাল খুঁটিটোত পাক মাৰি পুনৰ উঘাটো লৈ ঘৰৰ চোতাল পালেহি। তাৰ পিছত সূতাৰ ইটো আগেৰেও ল'ৰাৰ কঁকালত এটা গাঁঠি দি বাকী সূতাডাল কাটি পেলালে।"[৬৭]

প্ৰকৃতিৰ পৰিবৰ্তনে মানুহক মনত পেলাই দিয়ে সংস্কৃতিলৈ। অসমৰ মানুহৰ প্ৰতিটো উৎসৱ-অনুষ্ঠানৰ লগতেই প্ৰকৃতিৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। *'কলমৰ খোচ'* গল্পটোত এনে চিত্ৰ প্ৰতিফলিত হৈছে—

"চ'তৰ শেষ, দূৰৈৰ পৰা ভাঁহি অহা পেঁপাৰ মাতে মনত পেলাই দিছে— 'বিহু আহিছে'।"[৬৮]

*'অসমাপ্ত চিঠি'* গল্পটোত আছে অসমীয়া বোৱাৰীৰ সাজপাৰৰ বিৱৰণ—

"ৰেলখন চাবলৈ লৰ মাৰি ওলাই অহা ল'ৰা-ছোৱালী দুটাৰ পাছতে বোধকৰো এইমাত্ৰ তাঁতশালৰ পৰা উঠি অহা বোৱাৰীজনী। কপাহী ৰিহা-মেখেলা, মূৰৰ অলপীয়া ওৰণি।"[৬৯]

নামকৰণৰ ক্ষেত্ৰতো ঈশ্বৰৰ নাম মানুহে ল'লে মংগল হয় বুলি মানুহৰ পৰম বিশ্বাস আছে। সেই কথা *'নিৰ্ভেজাল'* গল্পটোত পোৱা যায়।

"বোলক সেইটো মৰমৰ মাতহে। আইতাই মৰমত দিয়া নাম, গোসাঁনীৰ নাম সৰ্বমঙ্গলা।"[৭০]

তিৰোতা মানুহে গৰ্ভধাৰণ কৰা সময়তো অসমীয়া সমাজত বিভিন্ন নিয়ম-নীতি পালন কৰা হয়। গৰ্ভধাৰণৰ সেই নিয়ম-নীতি প্ৰতিফলিত হৈছে স্নেহ দেৱীৰ *'আত্মসাৎ'* নামৰ গল্পটোত—

"শলিতাৰ গাত যেতিয়া প্ৰথম মাতৃত্বৰ চিন ফুটি উঠিল, বৰঘৈণীয়ে তেতিয়া শলিতাৰ শৰীৰৰ প্ৰতি নিজে যথেষ্ট কাণ কৰিছিল, নিজৰ গৰ্ভত সন্তান ধাৰণ কৰা নাই যদিও। দেখি-শুনি শিকা আৰু বয়সৰ সহজাত অভিজ্ঞতা বৰঘৈণীৰ আছিল। ললিতাৰ প্ৰতি যত্নৰ মাত্ৰা ইমানেই বেছি হ'ল যে সন্তান ভূমিষ্ঠ হ'বলৈ ছয়-সাত মাহ থকাৰ পৰাই বৰঘৈণীয়ে বেলেগ এটা কোঠাত শলিতাৰ থকাৰ ব্যৱস্থা কৰি দিলে। তাৰ ওচৰৰে কোঠাটোত নিজে শোৱে আৰু ইদাঁতিৰ কোঠাটোত মহাজন থাকে। শলিতাৰ কোঠাৰ দুৱাৰখন বৰঘৈণীয়ে নিজে শোৱা কোঠাৰ ফালৰ পৰা ডাং দি থয়। ৰাতি অকলে বাহিৰলৈ নাযাবলৈ বাৰে বাৰে ললিতাক নিৰ্দেশ দিয়ে। তথাপি যদি নিৰ্দেশ নামানি শলিতা অকলে ওলাই যায় সেইবাবেই বৰঘৈণীৰ এই সতৰ্কতা। কাৰণ বৰঘৈণীৰ মতে এই অৱস্থাত তিৰোতাৰ দেহলৈ বৰ ভয় থাকে। ৰাতি বাহিৰলৈ যাবলৈ প্ৰয়োজন হ'লেও বৰঘৈণীক জগোৱাৰ বাহিৰে উপায় নাথাকে শলিতাৰ। কিন্তু বৰঘৈণীৰ এই সতৰ্কতা বন্দীশালৰ দুৱাৰত প্ৰহৰী থকা যেন লাগিলেও আপত্তি কৰিবলৈ শলিতাৰ একো নাছিল।"[৭১]

কাৰোবাক কিবা খুৱাই আহুদি কৰাৰ বৰ্ণনাও গল্পটোত আছে—

"বৰঘৈণীৰ বিশ্বাস সৰু ঘৈণীয়েই কিবা খুৱাই এই বেমাৰটো কৰিছে। নতুবা গাভৰুকালত এই বেমাৰ নাছিল। বৰঘৈণীয়ে এই কথা কাকো ক'বলৈ বাকী ৰখা নাই আৰু বিষ উঠাৰ লগে লগে শলিতাৰ প্ৰতি দকচনি আৰম্ভ কৰে।"[৭২]

অসমীয়া সমাজৰ লোক বিশ্বাসমতে কাকো জীয়াই থাকোতে মৰিবলৈ ক'ব নাপায়। তেনে কৰিলে অভিশাপ দিয়া যেন হয়। *'বিনিময়'* নামৰ গল্পটোত তেনে ধৰণৰ উল্লেখ আছে—

"লতিৰ আগত আক্ষেপ কৰিছে— সিবাৰ হোৱা জ্বৰতে যদি মই মৰি গ'লোহেঁতেন! বুজিছ লতি।' লতিয়ে কৈছিল— ছেঃ তেনেকৈ মৰা কথাবোৰ ক'ব নাপায়। নক'বি...।"[৭৩]

অসমীয়া সমাজত বাপেকবোৰে নিজৰ অতিকৈ আদৰৰ জীয়েক বিলাকৰ বিয়া দিয়াৰ অলেখ কল্পনা কৰে। চাই-মেলি এটা ভাল ল'ৰাৰ লগত নিজৰ জীয়েকক বিয়া দিবৰ কল্পনা কৰে। তেনেকুৱা কল্পনা *'মধুৰ বেদনা'* গল্পটোত দেখা যায়—

"ভাবিছিলো তোৰ বিয়া পাতিম, মানুহ আহিব, চাকি জ্বলিব তাৰ মাজত জোঁৱাইক আদৰিম; কিন্তু তেনেকৈ নহ'ল আই। মই তোক দান দিম মুকলি আকাশৰ তলত, সাক্ষী ৰ'ব জোন, তৰা, বতাহ। ৰামচন্দ্ৰ যেন মোৰ জোঁৱাই হ'ব।"[৭৪]

অসমীয়া সমাজত ন-কইনাক মানুহে তন্নতন্নকৈ চায়। তেনে ধৰণৰ বৰ্ণনা *'যোগাযোগ'* গল্পটোত আছে—

"অলপ দিনৰ আগতে এবাৰ দেখিছিল বিয়াঘৰ এখনত, গৌৰী তেতিয়া ন-বোৱাৰী, সুসজ্জিতা, লাজকুৰীয়া গৌৰীক এজনী কইনা যেনেই দেখা গৈছিল। অৰন্তীয়ে বাৰে বাৰে অথচ লুকাই, কোনেও নজনাকৈ গৌৰীক চাইছিল। নাক, চকু, মুখ, ওঁঠ সকলো তন্নতন্নকৈ পৰ্যবেক্ষণ কৰিছিল।"[৭৫]

সাধাৰণ নিৰ্দোষী মানুহক 'ডাইনী' আখ্যা দি মানসিকভাবে হাৰাশাস্তি দিয়া, বশীকৰণ মন্ত্ৰেৰে সকলোকে বশ কৰা আদি বিশ্বাস তদানীন্তন সমাজখনতো আছিল। ইয়াৰ প্ৰতিফলন দেখা যায় *'এটি মৃত্যুত'* গল্পটোত—

"ৰমাকান্তৰ এই খেদোক্তি শুনাবিলাকৰ ভিতৰৰ কোনোৱে নিশ্চয় ভাবিছিল, 'নফলিব কিয় ? ডাইনী আছিল যে। ললিতাই হেনো বশীকৰণ জানিছিল, মোকো কৰিছিল নেকি নাজানো; মোৰ কিন্তু আজি কান্দিবৰ মন গৈছে ললিতাৰ বাবে; আনৰ আগত অৱশ্যে প্ৰকাশ কৰিব নোৱাৰোঁ।"[৭৬]

স্নেহ দেৱীৰ *'নাম দিম কল্যাণী'* গল্পটোত ব্যস্ততাপূৰ্ণ অসমীয়া বিয়া ঘৰৰ প্ৰতিচ্ছবি দেখা যায়—

"ব্যস্ততাপূৰ্ণ বিয়াঘৰ। কইনাঘৰ, গতিকে আবেলিৰ পৰা ব্যস্ততা বাঢ়ে। দায়িত্ব লৈ গাত লাগি কাম কৰাবিলাকেও মাজে মাজে কথা পাতিছে, কিন্তু সেইবোৰ দৰকাৰী কথা, কামৰ কথা। সন্ধ্যা লগাৰ আগতেই বিয়াঘৰৰ বিজুলী চাকিবোৰ জ্বলাই দিয়া হ'ল। লগে লগে উখল-মাখল আৰু হাই-উৰুমিও বাঢ়িল। গোটেই দিনটো কিনকিনীয়া বৰষুণ হৈ থকা বাবে নানা ধৰণৰ অসুবিধায়ো দেখা দিছিল।"[৭৭]

অসমীয়া সমাজত বিধৱা হ'লে বিভিন্ন নিয়ম-নীতি মানি চলিব লগা হয়। বিধৱা মহিলাসকলে বগা সাজ পৰিধান কৰাৰ উপৰিও সমাজৰ কোনো আনন্দ উৎসৱত ভাগ ল'ব নোৱাৰে। খাদ্য হিচাপেও সাত্ত্বিক আহাৰ গ্ৰহণ কৰিব লাগে, পৰপুৰুষৰ লগত সম্পৰ্ক ৰখাটো অবৈধ। এনে বিভিন্ন নিয়মৰ আবেষ্টনীত এগৰাকী বিধৱাই জীৱন নিৰ্বাহ কৰিব লাগে। স্নেহ দেৱীৰ *'বন্ধু তুমি মোৰ তুমি শত্ৰু'* গল্পটোত এনে চিত্ৰণ দেখা যায়—

"তুমি ঢিলাই নিদিবা নহ'লে তাইৰ স্বাস্থ্য ভালে থাকিব কেনেকৈ ? এইবাৰ প্ৰীতিৰ মাকে টানকৈয়ে উত্তৰ দিলে 'নিৰামিষ খাদ্য খায়ো জানো স্বাস্থ্য ভালে থাকিব নোৱাৰে ? জোৰ কৰা উচিত নহয়' বুলি কৈ ওলাই গ'ল। আন এদিন দেউতাকে নিজেই প্ৰীতিক কৈছিল, 'মোৰ ছোৱালী হৈ তই অৰ্থহীন সংস্কাৰবোৰ কিয় খামুচি আছ ? ইমান সাত্ত্বিক আহাৰ কৰিবৰ প্ৰয়োজন কি ? তই কুমাৰী, নিজক সেইদৰেই ভাবিবি ?"

প্ৰীতিয়ে এবাৰ বাপেকৰ মুখলৈ চাই আকৌ তলমূৰ কৰিলে। সংস্কাৰবোৰক যে কেৱল অৰ্থহীন বা কুসংস্কাৰ বুলি মানি ল'ব পৰা নাই সেই কথা বাপেকক ক'ব নোৱাৰে।"[৭৮]

গল্পটোত কু-সংস্কাৰৰ প্ৰতিবাদ থাকিলেও সেই প্ৰতিবাদ সজোৰভাবে কৰিবলৈ মানসিক সাহসৰ অভাৱ পৰিলক্ষিত হয়।

অসমীয়া হিন্দু সমাজৰ পৰম্পৰামতে মানুহৰ মৃত্যু হ'লে গয়াত পিণ্ড দান কৰিলেহে আত্মাই চিৰশান্তি লাভ কৰে। সেয়ে গয়াত মৃতকৰ অস্থি, পিণ্ড দান কৰা লোকাচাৰ আছে। স্নেহ দেৱীৰ *'সমৰ'* নামৰ গল্পটোত এই লোকাচাৰৰ প্ৰতিফলন ঘটিছে—

"গয়াত বিজয়াৰ পিণ্ড দিছিল নৰহৰিয়ে। পাপ স্খলনৰ অৰ্থে পূজা-পাঠ, দান-দক্ষিণাৰ সমাৰোহ লগাই দিছিল। কিন্তু অন্তৰ শুদ্ধ একোৱেই কৰিব নোৱাৰিলে।"[৭৯]

অসমীয়া সমাজত কেঁচুৱাক ভাত মুখত দিয়া, উপনয়ন কৰা আদি বিভিন্ন লোকাচাৰৰ প্ৰচলন আছে। স্নেহ দেৱীয়ে *'তেওঁলোকৰ মন'* গল্পটোত ইয়াৰ প্ৰতিফলন ঘটাইছে—

"অহা মাহত টুনুৰ নাতিনীয়েকৰ অন্নপ্ৰাসন ডাঙৰকৈ পাতিব। টুনুৰ ঘৰতে পাতিব। তাৰ পিছত মাঘত বা ফাগুনত নীতিৰ ল'ৰাৰ উপনয়ন। নীতিয়ে মোক এতিয়াৰ পৰাই ৰাখে।"[৮০]

*'বৰমা'* গল্পত বিবাহ বিষয়ক লগ্ন আৰু বৰযাত্ৰীৰ বৰ্ণনা মন কৰিবলগীয়া —

"বিয়াৰ লগ্ন ৰাতি বাৰ বজাৰ পিছত, দৰা ট্ৰেইনেৰে আহি দুপৰীয়া দহ বজাত পাবহি আৰু ষ্টেচনৰ ওচৰতে কেম্প কৰিব।......

ইফালে কইনা ঘৰত কেইটামান ল'ৰাই কোৱা-মেলা কৰা কইনাৰ কাণত পৰিল যে ৰাতি বাটত তিনি-চাৰি ঠাইত দৰা আগচিবলৈ সিহঁতে ঠিক কৰিছে; কেবাটাও দল পাতি লৈছে।"[৮১]

অসমৰ গ্ৰাম্য সমাজত মঙল চোৱা, শুদ্ধিকৰণ আদি বিভিন্ন নিয়ম মানি চলা দেখা যায়। স্নেহ দেৱীৰ *'নিশাৰ পখী'* গল্পটোত সেইবোৰৰ বৰ্ণনা আছে এনেদৰে—

"কেতিয়াবা পঞ্জিকা মেলি চাই দুই-এজন হোজা মানুহক জ্যোতিষীৰ দৰে দুই-এষাৰ কথা কৈ আচৰিত কৰি দিয়ে। গাঁৱৰ বুঢ়া-বুঢ়ী বহুতেই ধনাইৰ ওচৰলৈ কিবাকিবি চোৱাবলৈ যোৱা হ'ল। লাহে লাহে ধনাইৰ সাহ বাঢ়িল। কেতিয়াবা দেখা গ'ল কাৰোবাৰ ঘৰত পুষ্পিতা কন্যাক বা অশৌচীয়া তিৰোতাক গাঁৱৰ পুৰোহিত বাপুৰ সলনি ধনাই বাপুৰে প্ৰায়শ্চিত্ত কৰাইছেগৈ।"[৮২]

*'প্ৰচ্ছন্ন কামনা'* গল্পটোত পৰম্পৰাগত লোক বিশ্বাসৰ আভাস বক্তব্যৰ মাজেৰে পোৱা যায়—

"প্ৰথম দৃষ্টিতে যেতিয়া কল্যাণী গৃহলক্ষ্মীৰূপ মোৰ চকুত ধৰা নিদিলে, তেনেস্থলত ভৱিষ্যতে খোজে পতি উজুটি খোৱাৰ সম্ভাৱনা হোৱাতকৈ মোৰ এই জীৱনেই ভাল।"[৮৩]

*'শুভযাত্ৰা'* গল্পটোত বিহুৰ প্ৰতি মানুহৰ হেঁপাহ বক্তব্যৰ মাজেৰে প্ৰকাশিত হৈছে —

> "বিহু দেখোন শেষেই নহ'ল। 'বিহু বছৰি আহিব মাহী। য'তে থাকো তাতে বিহুগীত গাম।"[৮৪]

অসমীয়া সমাজত গধূলি তুলসীৰ তলত চাকি জ্বলাই ঘৰৰ মংগল কামনা কৰা এক পৰম্পৰা। *'শুভযাত্ৰা'* গল্পটোত নিধিৰ মুখেৰে সেই মঙ্গল কামনা কৰা হৈছে —

> "গধূলি তুলসীৰ তলত চাকিটি জ্বলাই দি নিধিৰ মাকে কাতৰ প্ৰাৰ্থনা জনালে। 'হে ডাঙৰীয়া দেৱতা, হে আই মাতৃ, কোন ক'ত আছা শুনিবা মোৰ ল'ৰাটিক যেন য'তে থাকক মঙ্গলে ৰক্ষা কৰি থাকিবা তোমালোকে।"[৮৫]

অসমীয়া সমাজত আই ভগৱতীক বৰকৈ মনা হয়। বসন্ত ওলাওতাক আই ভগৱতী লম্ভা বুলি বৰ যত্নকৈ ৰখাৰ নিয়ম আছে। সেয়ে ভগৱতীক সন্তুষ্ট কৰিবলৈ আইনাম ধৰা হয়। ভগৱতীয়ে কিবা এটা অংগ লৈ যায় বুলিও অসমীয়া সমাজত বিশ্বাস আছে। স্নেহ দেৱীৰ *'প্ৰেৰণাৰ সমাধি'* গল্পটোত সেই লোক বিশ্বাস প্ৰতিফলিত হৈছে—

> "সুমথিৰাই কৈ যোৱা কথাষাৰ যেন বাৰে বাৰে মনত ৰিঙিয়াই উঠিছে, 'দেউতাৰ চকুযুৰি কাললৈকে বেয়া হ'ল, আইদেউ ঐ! হওক হওক, চকু দুটি নি ভগৱতীয়ে তেওঁ জীৱটো দান দি থৈ গ'ল।"[৮৬]

বেজ, কবিৰাজে, কবচ যেন অসমীয়া গ্ৰাম্য সমাজৰ এক এৰাব নোৱাৰা পৰম্পৰা। স্নেহ দেৱীৰ *'বিপত্তি'* গল্পটোত তাৰ প্ৰতিফলন দেখা যায়—

> "তাৰপিছত পুৰণা বিচক্ষণ বেজনী বুঢ়ী পনীয়াক লগালে মতিয়াক চিকিৎসা কৰিবলৈ। গোলকে শুনিলে, দেখিলে। কিন্তু নাজানিলে বুঢ়ী পনীয়াক মতিয়াই গাত হাত দিবলৈকে নিদিয়ে, কামুৰি দিব খোজে। পনীয়া ওচৰলৈ গ'লে মতিয়া আঁতৰি যায়। কি বিশ্বাস, মতিয়াই কাকো বিশ্বাস কৰিব নোৱাৰে। পনীয়াই যদি গজপতিৰ নিৰ্দেশত কিবা কৰচ জোৰকৈ মতিয়াৰ হাতত বান্ধি দিয়ে। যদি হিতে বিপৰীত হয়?"[৮৭]

প্ৰাচীন পৰম্পৰা অনুসৰি ছোৱালীবিলাকৰ কেবাটাও ভাগ থাকে, যেনে— পদ্মিনী, হস্তিনী, সাংখিনী ইত্যাদি। কইনা চাবলৈ গ'লে আগতে খোজ-কাটলো চোৱা হৈছিল। এনে লোক বিশ্বাস স্নেহ দেৱীৰ *'অপৰাধবোধ'* গল্পটোতো প্ৰতিফলিত হৈছে—

> "ধৰকচোন, এজনী ডাঙৰ ছোৱালীয়ে যদি খোজ কাঢ়োতে দপদপাই মাটি কঁপাই যায় সেই দস্তুৰটো কোনোবাই ভাল বুলিবনে। আপুনি ভাল বুলিবনে কওক।"[৮৮]

অসমীয়া সমাজত লোক বিশ্বাস আছে যে পেট বিষালে থেকেৰাৰ পানী খুৱালে ভাল হয়। *'অপৰাধবোধ'* গল্পটোত ইয়াৰ প্ৰতিফলন দেখা যায়—

"মই ক'লো— 'পেটটো বিষাইছিল।' মায়ে আৰু কিবাকিবি প্ৰশ্ন কৰি পুৰণি থেকেৰাৰ পানী খুওৱাৰ ব্যৱস্থা কৰিলে।"[৮৯]

অসমীয়া মহিলাৰ নামঘৰৰ লগত ওতঃপ্ৰোত সম্পৰ্ক আছে। নামঘৰত নাম হ'লে মহিলাসকলে আগভাগ লয়েই। স্নেহ দেৱীৰ *'ভাবি চিন্তি চাইহে'* গল্পটোত তাৰ প্ৰতিফলন ঘটা দেখা যায়—

"কাননে লাহে লাহে চাহকাপ খাবলৈ ল'লে। মাক-দেউতাক ঘৰত নাই। মাক গৈছে নামঘৰলৈ। নামঘৰত আজি কিবা ডাঙৰ সবাহ এভাগ আছে; নামঘৰীয়ানীক সহায় কৰি দিব লগা হৈছে; সেইবাবে এই বেলাতে এবাৰ গৈছে ভাত খাই উঠি আকৌ নামলৈ যাব।"[৯০]

কোনো সমাজে সহজে অসবৰ্ণ বিবাহ মানি নলয়। তদানীন্তন সমাজখনতো কাৰোবাৰ বিয়া ঠিক কৰাৰ আগতে অসবৰ্ণ বিবাহ বংশত কাৰোবাৰ হৈছে নেকি চোৱা নিয়ম। স্নেহ দেৱীৰ *'ভাবি চিন্তি চাইহে'* গল্পটোতো তেনে ধৰণৰ প্ৰতিচ্ছবি দেখা যায়—

"গগনদাই বিয়া কৰোৱা ছোৱালীজনীৰ পেহীয়েক নে কোনে অসবৰ্ণ বিয়া কৰিলে, তাৰ বাবে ছোৱালীজনী অশুচি হ'ল নেকি ? অসবৰ্ণ বিয়াতো আজিকালি চলি গৈছেই।"[৯১]

অসমীয়া সমাজত বিশেষকৈ ডাঙৰজনী থাকোতে সৰুজনীক বিয়া দিয়া নহয়। কাৰণ লোকে ডাঙৰজনীক বদনামী বুলি ভাবিব পাৰে। *'ভাবি চিন্তি চাইহে'* গল্পটোত তেনে প্ৰতিফলন ঘটা দেখা যায়—

"ওপৰত এজনী থাকোঁতে সৰুজনীক বিয়া নিদিয়ে। নিজে পছন্দ কৰি সঙ্গী ঠিক কৰা কথাটোতো হ'বই নোৱাৰে। অথচ তেওঁলোকে চেষ্টাও বিশেষ একোৱেই নকৰে।"[৯২]

অসমীয়া সমাজৰ লোক বিশ্বাসমতে চৌকাৰ মাটিয়ে বশীকৰণৰ কাম কৰে বুলি লোক বিশ্বাসৰ প্ৰচলন আছে। স্নেহ দেৱীৰ *'ভৰণি'* নামৰ গল্পটোতো ইয়াৰ প্ৰতিফলন দেখা যায়—

"এজনে হেনো বুদ্ধি দিলে যে চৌকাৰ মাটি অকণ মনে মনে খুৱাই দিবা তেতিয়া আৰু সেই ঘৰ এৰি যাব নোৱাৰে। সেইটো হেনো এটা বশীকৰণ। কিন্তু মাটি খুৱাব কেনেকৈ ? কিয়, চাহ বা আঞ্জাৰ লগত মিহলাই দিব লাগে; তেনেই অকণমানহে, মাটিমাহ এটাৰ এফাল মাত্ৰ। গমেই নাপাব। সেইমতেই পিছত যিটো মানুহ আছিল তাক আঞ্জাৰ লগত এচিকুট চৌকাৰ ভিতৰৰ মাটি মিহলাই দিলে, দৰবৰ গুণেই নেকি মানুহটো ভালেৰেই বহুত দিন থাকিল।"[৯৩]

জন্ম, মৃত্যু আৰু বিবাহত ভগৱানৰ ইচ্ছা নিহিত হৈ থকা কথাটো *'নাম দিম কল্যাণী'* গল্পটোত প্ৰতিফলিত হোৱা দেখা যায়—

"জন্ম, মৰণ, বিবাহ এই তিনিটাত মানুহৰ হাত নাই। ভগৱানৰ ইচ্ছাতে সকলো হয়। মই আৰু ৰজতলৈ ছোৱালী বিচাৰি নুফুৰো।"[৯৪]

আনহাতে অসমীয়া সমাজত প্ৰচলিত বনৌষধৰ বৰ্ণনা স্নেহ দেৱীৰ *'সময়ৰ শিকনি'* গল্পটোত পোৱা যায় এইদৰে—

"হে নহয়, জুতুলী বুঢ়ীয়ে ঔষধ এটাৰ কথা কৈ গৈছে; তিনি পালি খালেই হেনো গুণ পাম। ই কেইটা বস্তু বাৰীত ওলাব, এটা বস্তুহে বিচাৰিব লগা হ'ল।

প্ৰতুলচন্দ্ৰই আগ্ৰহেৰে সুধিছিল— 'কি বস্তু'

'কাকিনী তামোলত বগোৰা পাণ গছৰ পূব ফালৰ শিপা তিনিডাল।"[৯৫]

যাত্ৰাকালত বা ৰাতিপুৱাই উঠি কিছুমান বস্তু দেখিলে শুভ আৰু কিছুমান দেখিলে অশুভ বুলি লোক বিশ্বাস আছে। *'ছাইৰ আলি'* গল্পটোতো তেনে কথাৰ প্ৰতিফলন দেখা যায়—

"মই জানো মোৰ বান্ধৱীৰ তেনেবোৰ অভ্যাস আছে। কেতিয়াবা হেনো তেওঁ পুৱা বিছনাৰ পৰা উঠাৰ আগতে ভাবে, আজি যদি দুৱাৰ মেলিয়েই আলিত কিবা এটা ভাল বস্তু দেখো মোৰ দিনটো ভালেৰে যাব। অৱশ্যে দুৱাৰ মেলিয়েই আলিয়েদি যোৱা ফাপৰে ধৰা কুকুৰ এটা চকুত পৰিলেও তেওঁ তাক ভাল বুলিয়ে ধৰি লয়। কুকুৰ শৃগাল গদৰ্ভৰো আত্মাৰাম বুলি মহাপুৰুষৰ বাণী আওৰায়। ধুনীয়া ল'ৰা বা ছোৱালী এটা দেখিলেতো কথাই নাই।"[৯৬]

অসমীয়া মানুহৰ তামোল, পাণ অতি আদৰ আৰু সন্মানৰ বস্তু। ভাত বা চাহ খাই উঠি তামোল এখন নাখালে অসমীয়া মানুহৰ খোৱা পূৰ্ণ নহয়। বয়সীয়াল মানুহবোৰে তামোলখন নাখালে যেন একো কামেই কৰিব নোৱাৰে। স্নেহ দেৱীৰ *'সমানে সমানে'* গল্পটোত তামোল-পাণৰ প্ৰচলনৰ বৰ্ণনা আছে এনেধৰণৰ—

"তামোল এখন পামনে খুৰীটি? মানুহটোৱে ক'লে। জুতুলীয়ে উত্তৰ দিলে— 'পাণ একণো নাই বোপাই।' হয় নেকি? বাৰু ময়ে চাওঁচোন ক'ৰবাত পাওঁনে এখিলা।"[৯৭]

এই গল্পটোতেই আকৌ তামোল খোৱাৰ পৰিৱেশ সৃষ্টি হৈছে এনেদৰে —

"সেইদিনাও বজাৰত তিনিজনী পোহাৰী বহি চাউল বেচিছে, মাজে মাজে তামোল খাইছে; কথা পাতিছে, ওচৰৰ সৰু নৈখনৰ ফালৰ পৰা ৰিব্‌ৰিব্‌কৈ মৰা বতাহ এছাটি সিহঁতৰ গাত লাগিছিল। জুতুলীয়ে ভালকৈ পাগ লগাই তামোল এখন খাই ক'লে, চকু দুটা মুদ খাই আহিব খুজিছে, অকণ শুবৰহে মন গৈছে।"[৯৮]

গল্পটোত ভূত-প্ৰেতৰ অন্ধবিশ্বাসো পৰিলক্ষিত হয়—

"মতা মানুহক হাঁহিনী খেতৰে পালে বেজ নাই। জানিবি আঁতৰ হ ইয়াৰ পৰা। বেগতে আঁতৰ হ।" ...................

বাইটি, সঁচাকৈয়ে হাঁহিনী খেতৰ আছে নেকি অ'?[৯৯]

*'বেলুন'* গল্পটোত বিহু, সংক্ৰান্তি আদিত অসমীয়া খাদ্য সম্ভাৰৰ পৰিচয় দিয়া হৈছে এনেদৰে—

"বিহু সংক্ৰান্তিবোৰ বুঢ়াৰ আলু-কচু আৰু পিঠাৰ টোপোলালৈহে মনত পেলাই দিয়ে।"[১০০]

নামকৰণৰ ক্ষেত্ৰত অসমীয়া সমাজত ল'ৰা-ছোৱালীবিলাকৰ নাম এক সামঞ্জস্য ৰাখি ৰখা হৈছিল। তদুপৰি লিখিত নাম এটা থাকিলে ঘৰত মতা নাম বেলেগ আছিল। অসমীয়া সমাজত দুটা নাম ৰখা এক পৰম্পৰা। এটা প্ৰকাশ্য আৰু এটা গুপ্ত। স্নেহ দেৱীৰ *'এটি বিশেষ ৰাতি'* গল্পটোত সেই কথাৰ উমান পোৱা যায়।

"বায়েক ৰঞ্জিতাৰ ঘৰত মতা নাম আছিল জিতা। ৰঞ্জনাৰ সেইদৰে নাম থোৱা হৈছিল জীনা! কিন্তু সৰুতে মাকেই এদিন ক'লে, 'এইদৰে মিলাই মিলাই নাম থ'লে ভাল নহয়। এই ৰঞ্জনাৰ নাম ৰুণুৰেই হওক।"[১০১]

অসমীয়া সমাজত ছোৱালী পলুৱাই আনি ঘৰ সোমাৱোটো জনজাতীয় সংস্কৃতিৰ পৰা অহা। ছোৱালী পলুৱাই অনাৰ পিছত ৰাইজমেল বহে আৰু ৰাইজমেলত ইয়াৰ মীমাংসা কৰা হয়। স্নেহ দেৱীৰ *'ডম্বৰুৰ ধ্বনি'* গল্পটোত এনে কথাৰ চিত্ৰন ঘটা দেখা যায় —

"সেইদিনাই ঠিক কৰি পেলালে যে সৰুৰামে সোণালীক এনেয়ে আনি ঘৰ সোমোৱাবহি। পিছত নিবোকীয়ে ৰাইজৰ জগৰ ভাঙিব। সমাজত এনে ৰীতি পূৰ্বাপৰ চলি আহিছে— যেতিয়া ইয়াত লাজ বা দোষ একো নাই। তাৰ উপৰি, বিয়া পাতি আনন্দ কৰিব পৰা মন এতিয়া সিহঁতৰ নাই।"[১০২]

ছোৱালী পলুৱাই অনাৰ পিছত ৰাইজক বিচাৰৰ বাবে গোচৰ দিয়া হয়। ৰাইজে মেল পাতি দোষ নিৰ্ণয় কৰি সেইবোৰৰ বিচাৰ কৰে—

"সোণালীৰ মাক-বাপেকে ৰাইজক গোচৰ দিলে যে সৰুৰামক জোঁৱাই কৰিবলৈ সিহঁতৰ আপত্তি নাছিল, কিন্তু ডম্বৰুৱেও ছোৱালীৰ হাতত ধৰি গৰ্হিত কাম কৰিছে। ই যেন সুন্দ-উপসুন্দৰ যুদ্ধ।"[১০৩]

ৰাইজ মেলত দোষ হিচাপে শাস্তিৰ বিধান হয়। এই গল্পটোতো ডম্বৰুৱে কৰা দোষৰ বাবে তাক আৰ্থিক দণ্ড প্ৰদান কৰা হৈছে—

"আনন্দমনে জেপৰ পৰা টকা চল্লিশটা উলিয়াই দি ৰাইজক সেৱা জনাই সি নামঘৰৰ পৰা ওলাই আহিছিল আৰু নিবোকীয়ে তাইৰ শান্ত-শিষ্ট ল'ৰাটোৰ আচৰণ বুজিব নোৱাৰি গুজৰি-গুমৰি থাকিল।"[১০৪]

অসমীয়া সমাজত পাপ-পুণ্যৰ ধাৰণা সকলোৰে অৱগত। পাপ কৰিবলৈ গ'লে হেজাৰবাৰ চিন্তা কৰে। পাপ সম্পৰ্কে এনে ধাৰণা স্নেহ দেৱীৰ *'ক্ষণবসন্ত'* গল্পটোত পোৱা যায়—

> "আন মানুহ ইয়াত কোনোৱেই নাই— কোনে দেখিব? পাপ লুকাই নাথাকে নহয় ওলাবই— তাই লেম্পটো দেখুৱাই ক'লে— 'এয়া জুই আছে, জুই ব্ৰহ্মা, তেওঁ দেখিব'— মেজৰ ওপৰৰ পানীৰ গিলাচটো দেখুৱাই ক'লে— 'সৌৱা পানী আছে, পানীয়ে দেখিব।'"[১০৫]

*'জোৱাৰৰ পিছত'* গল্পটোত দুৰ্গা পূজাত বজোৱা লোক বাদ্যৰ বৰ্ণনা দেখা যায়—

> "হঠাতে ঢাক আৰু ঢোলৰ শব্দ কাণত পৰে অ— আজি যে নৱমী পূজা। সেয়া ৰাজহুৱা পূজাঘৰৰ বাদ্য।"[১০৬]

স্নেহ দেৱীৰ গল্পত এনে সামাজিক লোকাচাৰৰ অন্তৰ্গত বিশ্বাস, অন্ধবিশ্বাস, উৎসৱ অনুষ্ঠান, আচাৰ ব্যৱহাৰ লোক বাদ্য, লোক খাদ্য আদি লোক সংস্কৃতিৰ বিভিন্ন উপাদান পৰিস্ফুট হোৱা দেখা যায়। ইয়াৰ দ্বাৰা তদানীন্তন সমাজৰ সাংস্কৃতিক জীৱন ৰেখাৰ পৰিচয় আৰু স্পন্দন পৰিলক্ষিত হোৱাৰ লগতে তেখেতৰ গল্পসমূহে অসমীয়া সংস্কৃতি ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে।

**৩.০৪ স্নেহ দেৱীৰ গল্পত লোক পৰিবেশ্য কলা**

মানুহে পৰিৱেশন কৰা কলাসমূহেই লোক পৰিৱেশ্য কলা। মানুহে বিভিন্ন মাধ্যমেৰে মনৰ সন্তুষ্টি আৰু মনোৰঞ্জনৰ বাবে এই কলা পৰিবেশন কৰা দেখা যায়। মুঠতে কিছুমান মানুহৰ সমষ্টিয়ে প্ৰদৰ্শন কৰা লোক মনোৰঞ্জনৰ বা আত্মসন্তুষ্টিৰ বাবে পৰিৱেশন কৰা গীত, নৃত্য, ভাও আদিকে লোক পৰিবেশ্য কলা বুলিব পাৰি। পৰম্পৰাগত সংগীত, নৃত্য বা নাট লোক পৰিবেশ্য কলাৰ অন্তৰ্গত। কোনো এটা সাধু কোৱা বা লোকগীত গোৱাকে পৰিবেশন কৰা বোলে। কিন্তু এনে ধৰণৰ পৰিবেশন পদ্ধতি এজন বা কেইবাজনো লোকে লোকবাদ্য যন্ত্ৰ, নৃত্যৰ পোছাক-পৰিচ্ছদ আৰু দৃশ্য বিৰৰণীসহ ৰূপায়ণ কৰা পদ্ধতিৰ তুলনাত আকস্মিক ধৰণৰ। লোকনাট্যৰ প্ৰধান বিশেষত্ব আসি-নৃত্য, যৌথ নৃত্য-গীত, অংশ বিন্যস্ত গতি আদি— T E Ordisৰ মন্তব্য এটি এই ক্ষেত্ৰত প্ৰাসংগিক—

> "The sheping factor in folk drama was the sword dance with its circle, chorues and carefully concerted movements."[১০৭]

(লোকনাট্যক আকৃতি প্ৰদান কৰা কাৰক আছিল ইয়াৰ পৰিধিৰ মাজত থকা তৰোৱাল নৃত্য, সমাৱেত সংগীত তথা সাৱধানতা সহকাৰে অংগ সঞ্চালন কৰা।)

অসমত প্ৰাচীন কালৰে পৰা কেইবাটাও লোক পৰিবেশ্য কলা প্ৰচলিত আছে। সেইবোৰৰ ভিতৰত— পুতলা নাচ, ওজাপালি, ঢুলীয়া, ভাৱৰীয়া, খুলীয়া, দেওধনী, কুশান গান, ভাৰী গান ইত্যাদি।

স্নেহ দেৱীৰ গল্পত লোক পৰিবেশ্য কলাৰ প্ৰভাৱ কম যদিও কেইটামান গল্পত ইয়াৰ আভাস পোৱা যায়। সংস্কৃতি অবিহনে যিহেতু সমাজ নহয় সেয়ে সামাজিক জীৱনত সংস্কৃতিৰ প্ৰভাৱ থাকিবই। স্নেহ দেৱীৰ গল্পতো এনে প্ৰভাৱ দেখা যায়। স্নেহ দেৱীৰ তদানীন্তন সমাজখনত প্ৰতিজন ব্যক্তিয়েই লোকাচাৰক প্ৰাধান্য দিয়েই জীৱন ধাৰণ কৰিছিল। সেয়ে এখেতৰ গল্পত লোকাচাৰৰ প্ৰতিফলন ঘটিছে।

স্নেহ দেৱীৰ *'অন্তৰালত'* গল্পটোত লোক পৰিবেশ্য কলাৰ এনেধৰণৰ বৰ্ণনা দেখা যায়—

> "যোৱা দুৰ্গা পূজাত অসংখ্য মানুহৰ লগত ৰৈ সিহঁতে আৰতি চাইছিল।"[১০৮]

দুৰ্গা পূজাত নৃত্য কৰি আৰতি কৰা নিয়ম আছে। এনেধৰণৰ আৰতি বৰ আকৰ্ষণীয়। সন্ধিয়া আৰতি চাবলৈ বহুত মানুহৰ সমাগম হয়।

স্নেহ দেৱীৰ *'প্ৰচ্ছন্ন কামনা'* গল্পটোত পৰিবেশ্য কলাৰ বৰ্ণনাও পোৱা যায়—

> "মই যাক চাবলৈ গৈছিলো, তেওঁ যেতিয়া ওলাই আহিল মোৰ ভাব হ'ল যেন, পৌৰাণিক নাটকত ৰাণীৰ ভাও দিবলৈ এগৰাকী অভিনেত্ৰী চোঘৰৰ পৰা মঞ্চলৈ ওলাই আহিছে।[১০৯]

স্নেহ দেৱীৰ *'অপৰাধবোধ'* গল্পটোত থিয়েটাৰ পাৰ্টিৰ বৰ্ণনাৰে লোকপৰিবেশ্য কলাৰ প্ৰতিফলন ঘটিছে—

> "তেওঁ নীৰৱে চাহ খালে। অলপ পৰ মনে মনে থাকিল। তাৰপিছত ক'লে— 'আপুনি বাৰু থিয়েটাৰ চায়নে? কেতিয়াবা সুবিধা পালে চাওঁ— কিয় সুধিলে? যোৱা বছৰ যে আপোনালোকৰ ইয়ালৈ আহি গ'ল, বিখ্যাত পাৰ্টিটো তাৰ থিয়েটাৰ চাইছিল নেকি?
>
> হয় চাইছিলো। কি নাম আছিল পাৰ্টিটোৰ; ৰ'ব, বাৰু নামৰ কথা এৰক, তাত মোৰ নিজা ভনী এজনীয়ে কাম কৰে। মোৰ লগত সাইলাখ একে চেহেৰাৰে তাই। তাই অৱশ্যে বয়স মোতকৈ বাৰ বছৰমানৰ সৰু। তাই কিন্তু বয়সীয়াৰ ভাওহে দিয়ে।"[১১০]

স্নেহ দেৱীৰ *'দিবাস্বপ্ন'* গল্পটোত লোক পৰিবেশ্য কলাৰ প্ৰতিফলন ঘটিছে এইদৰে—

> "মই গৌৰীৰ কথাকে ক'বলৈ ধৰিলো; গৌৰীক যেন ভগৱানে সৃষ্টি কৰিছিল নৃত্য-গীতৰ কাৰণেই। গৌৰীৰ ওঁঠে কেৱল জানে সংগীত আৰু চৰণে জানে নৃত্য। আজি গৌৰীৰ নৃত্য-গীত উপভোগ কৰাৰ পৰা বঞ্চিত হোৱাৰ প্ৰথম কাৰণ হ'ল গোপী দাদা ঘৰত নাই। সময়টো হ'ল ভৰ দুপৰীয়া, তাতে গৌৰীৰ মনটোও ভাল নেদেখিলো, কিবা নতুন গান শিকিবলৈ গৈ হয়তো শেষ কৰিব পৰা নাই। আনহাতে জেঠায়ে এই 'গোলমাল'বোৰ বৰ ভাল নাপায়।"[১১১]

স্নেহ দেৱীৰ *'বিভিন্ন বেদনা'* গল্পটোত সংগীত বিদ্যালয় স্থাপনৰ প্ৰসংগটোৰে লোক পৰিবেশ্য কলাৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণৰ দিশটো উন্মোচিত কৰিছে—

"চহৰত সংগীত বিদ্যালয় স্থাপিত হ'ব সৰহদিন হোৱা নাই। সাধাৰণতে এনে সৰু চহৰত যেনে হয়— অৰ্থাৎ সংগীতৰ প্ৰতি ৰাপ থকা অথচ চৰ্চা কৰিবলৈ সুবিধা নথকা বহুতৰে বাবে সংগীত বিদ্যালয়টি হৈ পৰিল অতি আদৰৰ।"[১২]

*'এটি আবেলিৰ স্মৃতি'* গল্পত বিৰিঞ্চি আৰু তেওঁৰ পত্নী চিনেমা চাবলৈ যোৱাৰ বৰ্ণনা আছে—

"ই পাহৰিলাই? আজি চিনেমালৈ যাম বুলি কালিয়েই কৈ থোৱা নাই?"

..........................

ছবিখন কেনে লাগিল? বিৰিঞ্চিক সোধে নীতিয়ে। বেয়া নহয়।"[১৩]

স্নেহ দেৱীৰ *'জোৱাৰৰ পিছত'* গল্পত ঢাক, ঢোল, থিয়েটাৰ পাৰ্টি আদিৰ বৰ্ণনাত লোক পৰিবেশ্য কলাৰ উল্লেখ পোৱা যায়। গল্পটোত উল্লেখ আছে এইদৰে—

"হঠাতে ঢাক আৰু ঢোলৰ শব্দ তাইৰ কাণত পৰে, অ' আজি যে নৱমী পূজা। সেয়ে ৰাজহুৱা পূজাঘৰৰ বাদ্য। এৰা কালি পাৰ হৈ গৈছে মহাষ্টমী, কালিয়েই তাইৰ থিয়েটাৰ আছিল অথচ বহুতকে নিৰাশ কৰিলে তাই। পেছাদাৰী অভিনেত্ৰী তাই, উপাৰ্জনৰ বাবেই অভিনয় কৰে। তথাপি এই পাৰ্টিটোৰ কাৰণে তাইক কিমানে অনুৰোধ কৰিছিল। এই কেইবছৰৰ ভিতৰতে তাই অভিনয়ত ইমান সুখ্যাতি আৰ্জিলে, সৰু চহৰখনৰ বুকুত তাইৰ অভিনয়ে যথেষ্ট আলোড়ন তোলে।"[১৪]

লোক পৰিবেশ্য কলাৰ প্ৰভাৱ স্নেহ দেৱীৰ গল্পত তুলনামূলকভাবে কম। যিখিনি দৃষ্টিগোচৰ হ'ল সেইখিনিৰ আলোচনাই আগবঢ়োৱা হ'ল। এখেতৰ গল্পবোৰ বিশেষকৈ পাৰিবাৰিক জীৱনৰ খুটিনাটি আৰু নাৰীৰ মানসিক জগতৰ বিশ্লেষণকেই প্ৰাধান্য দিয়া যেন বোধ হয়। সেয়ে আনন্দ বা মনোৰঞ্জনৰ দিশটো কিছু ফালৰি কাটি গৈছে। তথাপি গল্পৰ মাজে মাজে লোক পৰিৱেশ্য কলাৰ প্ৰসংগই গল্পবোৰক এক বিশেষ মাত্ৰা দান কৰিছে।

**প্ৰসঙ্গটীকাঃ**

১.  হৰিনাথ শৰ্মা দলৈ ঃ বাৰেবৰণীয়া অসম,  পৃ. ২৫

২.  উল্লিখিত গ্ৰন্থ, পৃ. ৪২

৩.  উল্লিখিত গ্ৰন্থ, পৃ. ৩৫

৪. কনক শৰ্মা, ঃ অসমীয়া জাতি আৰু সংস্কৃতি, পৃ. ৫২

৫. উমেশ চেতিয়া, ঃ অসমৰ লোক সংস্কৃতিৰ ৰূপৰেখা, পৃ. ৩৩

৬. প্ৰহ্লাদ কুমাৰ বৰুৱা, ঃ অসমীয়া লোক সাহিত্য, পৃ. ৭

৭. হৰিনাথ শৰ্মা দলৈ, ঃ বাৰেবৰণীয়া অসম, পৃ. ১৩১

৮. উল্লিখিত গ্ৰন্থ, পৃ. ১৩২

৯. প্ৰহ্লাদ কুমাৰ বৰুৱা, ঃ অসমীয়া লোক সাহিত্য, পৃ. ১৯৪

১০. উল্লিখিত গ্ৰন্থ, পৃ. ২

১১. কনক শৰ্মা, ঃ অসমীয়া জাতি আৰু সংস্কৃতি, পৃ. ৫০

১২. হীৰেন দাস, ঃ অসমীয়া চুটিগল্প ঃ বিবৰ্তন আৰু বিশ্লেষণ, পৃ. ৪৩৮

১৩. অন্নদা শইকীয়া, (সম্পা.) ঃ স্নেহ দেৱীৰ ৰচনা সম্ভাৰ, পৃ. ৫০৩

১৪. উল্লিখিত গ্ৰন্থ, পৃ. ৫১০

১৫. উল্লিখিত গ্ৰন্থ, পৃ. ৫১৬

১৬. উল্লিখিত গ্ৰন্থ, পৃ. ৩৬

১৭. উল্লিখিত গ্ৰন্থ, পৃ. ৩৪

১৮. উল্লিখিত গ্ৰন্থ, পৃ. ৩৪

১৯. উল্লিখিত গ্ৰন্থ, পৃ. ৩৯

২০. উল্লিখিত গ্ৰন্থ, পৃ. ৪৬

২১. উল্লিখিত গ্ৰন্থ, পৃ. ৪১০

২২. উল্লিখিত গ্ৰন্থ, পৃ. ৪১১

২৩. উল্লিখিত গ্ৰন্থ, পৃ. ৪৮৪

২৪. উল্লিখিত গ্ৰন্থ, পৃ. ৩৪৯

২৫. উল্লিখিত গ্ৰন্থ, পৃ. ৩৪৯

২৬. উল্লিখিত গ্ৰন্থ, পৃ. ১৫১

২৭. উল্লিখিত গ্ৰন্থ, পৃ. ৪৮০

২৮. উল্লিখিত গ্ৰন্থ, পৃ. ৪৫৫

২৯. উল্লিখিত গ্ৰন্থ, পৃ. ৯৮

৩০. উল্লিখিত গ্ৰন্থ, পৃ. ১০০

৩১. উল্লিখিত গ্ৰন্থ, পৃ. ১০৬

৩২. উল্লিখিত গ্ৰন্থ, পৃ. ১২০

৩৩. উল্লিখিত গ্ৰন্থ, পৃ. ৩২৯

৩৪. উল্লিখিত গ্ৰন্থ, পৃ. ৪০২

৩৫. কনক শৰ্মা, ঃ অসমীয়া জাতি আৰু সংস্কৃতি, পৃ. ৫০

৩৬. হৰিনাথ দলৈ, ঃ বাৰেবৰণীয়া অসম, পৃ. ৮৯

৩৭. অন্নদা শইকীয়া, (সম্পা.) ঃ স্নেহ দেৱীৰ ৰচনা সম্ভাৰ, পৃ. ২৫

৩৮. উল্লিখিত গ্ৰন্থ, পৃ. ৩০

৩৯. উল্লিখিত গ্ৰন্থ, পৃ. ৩০

৪০. উল্লিখিত গ্ৰন্থ, পৃ. ৪৯১

৪১. উল্লিখিত গ্ৰন্থ, পৃ. ৪৭৭

৪২. উল্লিখিত গ্ৰন্থ, পৃ. ৪৬৬

৪৩. উল্লিখিত গ্ৰন্থ, পৃ. ৪৩১

৪৪. উল্লিখিত গ্ৰন্থ, পৃ. ৪৩৭

৪৫. উল্লিখিত গ্ৰন্থ, পৃ. ২৫১

৪৬. উল্লিখিত গ্ৰন্থ, পৃ. ১১৪

৪৭. উল্লিখিত গ্ৰন্থ, পৃ. ৭৬

৪৮. উল্লিখিত গ্ৰন্থ, পৃ. ১০৭

৪৯. উল্লিখিত গ্ৰন্থ, পৃ. ১২৮

৫০. উল্লিখিত গ্ৰন্থ, পৃ. ৩৭৯

৫১. উল্লিখিত গ্ৰন্থ, পৃ. ৩৮০

৫২. উল্লিখিত গ্ৰন্থ, পৃ. ৩৮৭

৫৩. কনক শৰ্মা, ঃ অসমীয়া জাতি আৰু সংস্কৃতি, পৃ. ৫২

৫৪. উমেশ চেতীয়া, ঃ অসমীয়া লোক সংস্কৃতিৰ ৰূপৰেখা, পৃ. -৭৮

৫৫. কনক শৰ্মা, ঃ অসমীয়া জাতি আৰু সংস্কৃতি, পৃ. ৫৩

৫৬. উমেশ চেতীয়া, ঃ অসমীয়া লোক সংস্কৃতিৰ ৰূপৰেখা, পৃ. ৮৮

৫৭. উল্লিখিত গ্ৰন্থ, পৃ. ৮৯

৫৮. অন্নদা শইকীয়া, (সম্পা.) ঃ স্নেহ দেৱীৰ ৰচনা সম্ভাৰ, পৃ. ১৯২

৫৯. উল্লিখিত গ্ৰন্থ, পৃ. ২৯৬

৬০. উল্লিখিত গ্ৰন্থ, পৃ. ২৮

৬১. উল্লিখিত গ্ৰন্থ, পৃ. ৩০

৬২. উল্লিখিত গ্ৰন্থ, পৃ. ৩৩

৬৩. উল্লিখিত গ্ৰন্থ, পৃ. ১১০

৬৪. উল্লিখিত গ্ৰন্থ, পৃ. ১১০

৬৫. উল্লিখিত গ্ৰন্থ, পৃ. ১১১

৬৬. উল্লিখিত গ্ৰন্থ, পৃ. ১১২

৬৭. উল্লিখিত গ্ৰন্থ, পৃ. ১১৪

৬৮. উল্লিখিত গ্ৰন্থ, পৃ. ৬৬

৬৯. উল্লিখিত গ্ৰন্থ, পৃ. ৭৬

৭০. উল্লিখিত গ্ৰন্থ, পৃ. ৯৪

৭১. উল্লিখিত গ্ৰন্থ, পৃ. ৯৭

৭২. উল্লিখিত গ্ৰন্থ, পৃ. ১০১

৭৩. উল্লিখিত গ্ৰন্থ, পৃ. ১০৪

৭৪. উল্লিখিত গ্রন্থ, পৃ. ১১৯

৭৫. উল্লিখিত গ্রন্থ, পৃ. ১২৫

৭৬. উল্লিখিত গ্রন্থ, পৃ. ১৪৫

৭৭. উল্লিখিত গ্রন্থ, পৃ. ৩২৫

৭৮. উল্লিখিত গ্রন্থ, পৃ. ৩৬৪

৭৯. উল্লিখিত গ্রন্থ, পৃ. ২১০

৮০. উল্লিখিত গ্রন্থ, পৃ. ৩০৮

৮১. উল্লিখিত গ্রন্থ, পৃ. ৩৫২

৮২. উল্লিখিত গ্রন্থ, পৃ. ৩৭৩

৮৩. উল্লিখিত গ্রন্থ, পৃ. ৩৮০

৮৪. উল্লিখিত গ্রন্থ, পৃ. ৩৮৭

৮৫. উল্লিখিত গ্রন্থ, পৃ. ৩৮৭

৮৬. উল্লিখিত গ্রন্থ, পৃ. ১৮১

৮৭. উল্লিখিত গ্রন্থ, পৃ. ১৮৬

৮৮. উল্লিখিত গ্রন্থ, পৃ. ৩৯৯

৮৯. উল্লিখিত গ্রন্থ, পৃ. ৪০২

৯০. উল্লিখিত গ্রন্থ, পৃ. ৪১২

৯১. উল্লিখিত গ্রন্থ, পৃ. ৪১৩

৯২. উল্লিখিত গ্রন্থ, পৃ. ৪১৭

৯৩. উল্লিখিত গ্রন্থ, পৃ. ৪২১

৯৪. উল্লিখিত গ্রন্থ, পৃ. ৩২৯

৯৫. উল্লিখিত গ্রন্থ, পৃ. ২০১

৯৬. উল্লিখিত গ্ৰন্থ, পৃ. ৩৩২

৯৭. উল্লিখিত গ্ৰন্থ, পৃ. ৪২৫

৯৮. উল্লিখিত গ্ৰন্থ, পৃ. ৪২৫

৯৯. উল্লিখিত গ্ৰন্থ, পৃ. ৪২৭

১০০. উল্লিখিত গ্ৰন্থ, পৃ. ৪৩৫

১০১. উল্লিখিত গ্ৰন্থ, পৃ. ৪৩৯

১০২. উল্লিখিত গ্ৰন্থ, পৃ. ৪৪৮

১০৩. উল্লিখিত গ্ৰন্থ, পৃ. ৪৪৮

১০৪. উল্লিখিত গ্ৰন্থ, পৃ. ৪৪৯

১০৫. উল্লিখিত গ্ৰন্থ, পৃ. ৪৬০

১০৬. উল্লিখিত গ্ৰন্থ, পৃ. ৪৮৩

১০৭. কনক শৰ্মা, ঃ অসমীয়া জাতি আৰু সংস্কৃতি, পৃ. ৬২

১০৮. অন্নদা শইকীয়া, (সম্পা.) ঃ স্নেহ দেৱীৰ ৰচনা সম্ভাৰ, পৃ. ২৬

১০৯. উল্লিখিত গ্ৰন্থ, পৃ. ৩৮০

১১০. উল্লিখিত গ্ৰন্থ, পৃ. ৪০০

১১১. উল্লিখিত গ্ৰন্থ, পৃ. ৪৭৮

১১২. উল্লিখিত গ্ৰন্থ, পৃ. ২৪৭

১১৩. উল্লিখিত গ্ৰন্থ, পৃ. ২৬৯

১১৪. উল্লিখিত গ্ৰন্থ, পৃ. ৪৭৮

# চতুর্থ অধ্যায়